অসম কাৰিকৰী শিক্ষা সঞ্চালকালয়ৰ সিদ্ধান্তমৰ্মে
পʼলিটেক্নিক এড্‌মিচন টেষ্ট-২০২১
অহা ২২ আগষ্টত অনুষ্ঠিত হʼব।
যিসকল ছাত্ৰ-ছাত্ৰীয়ে উক্ত পৰীক্ষাত অৱতীৰ্ণ হʼবলৈ অনলাইনযোগে নিজৰ নাম পঞ্জীয়ন কৰিছে, তেওঁলোকে প্ৰয়োজনীয় হাতপুথি
মেড ইজি
সংগ্ৰহ কৰিব পাৰিব।
জিজ্ঞাস প্ৰকাশন, পাণবজাৰ, গুৱাহাটী
ফোন ঃ ৮৬৩৮৭৮৬১৪৯, ৮৮৭৬৮২৯৭৩১

বৌদ্ধিক যাত্ৰাৰ ৩১ বছৰ (১৯৯১-২০২১)

RNI . REGD. NO 53824/91
P.O. REGD. TECH/RNP/
GH- 099/2021-23
E-paper : www.jigyas.in

সাপ্তাহিক
# জিজ্ঞাস
শিক্ষাবিষয়ক জনপ্ৰিয় বাৰ্তালোচনী

## এই সংখ্যাত

- পাঠভিত্তিক আলোচনা
  - ভাৰতত ইংৰাজ শাসনৰ প্ৰতিষ্ঠা, সম্প্ৰসাৰণ আৰু দৃঢ়ীকৰণ
  - বৰগীত ঃ শ্ৰীশ্ৰীমাধৱদেৱ
  - গতি, A LETTER TO GOD
  - পোহৰ- প্ৰতিফলন আৰু প্ৰতিসৰণ
- আজৰি পৰৰ ধেমালি
- ত্যাগ আৰু সংযমৰ উৎসৱ ঈদ-উজ-জহা (বকৰ-ঈদ), জুৱেলাৰী ডিজাইনিং
- সপ্তাহটোৰ বিশ্ব, সঁফুৰা, বীক্ষা আদিৰ লগতে নিয়মীয়া শিতানসমূহ

JIGYAS • VOL. XXXI • NO. 21 • জিজ্ঞাস • একত্ৰিংশ বছৰ • সংখ্যা- ২১ • ০৫ শাওন • ২২ জুলাই - ২৮ জুলাই ২০২১, বৃহস্পতিবাৰ • গুৱাহাটী • মূল্য ঃ ১০ টকা

### বাজেট হʼল এক নিৰ্দিষ্ট সময়ৰ সম্পদৰ আয়-ব্যয়ৰ খতিয়ান

# বাজেট আৰু ইয়াৰ প্ৰয়োজনীয়তা




✍ ড° নলীন ভাগৱতী


বাজেট (BUDGET) কি আৰু ইয়াৰ প্ৰয়োজনীয়তা কি?

বাজেট হৈছে কোনো এক নিৰ্দিষ্ট সময়ৰ সম্পদৰ আয় আৰু ব্যয়ৰ এক খতিয়ান। পৰিকল্পনা মতে কাম কৰিবলৈ কিমান অৰ্থ বা টকা-পইচাৰ প্ৰয়োজন হʼব, সেই অৰ্থ কʼৰ পৰা পাব, কেনেকৈ খৰচ কৰিব আদিৰ হিচাপ যিদৰে কৰা হয় সেয়াই হৈছে বাজেট। বাজেট কোনো ব্যক্তিবিশেষ, কোনো প্ৰতিষ্ঠান ২ পৃষ্ঠাত

## পাঠভিত্তিক আলোচনা দশম শ্ৰেণী

# বৰগীত
# শ্ৰীশ্ৰীমাধৱদেৱ

✍ কুসুম শইকীয়া



**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

বৰগীত অসমীয়া সাহিত্যৰ এক অমূল্য সম্পদ। মহাপুৰুষ শংকৰদেৱে নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে শ্ৰীকৃষ্ণৰ মহিমাযুক্ত, বেদ-উপনিষদৰ মৰ্মাৰ্থপূৰ্ণ কিছুমান ভক্তিতত্ত্বমূলক গীত ব্ৰজাৱলী ভাষাত ৰচনা কৰিছিল। এই গীতবোৰ বিভিন্ন ৰাগত বন্ধা। শংকৰদেৱৰ প্ৰিয় শিষ্য মাধৱদেৱেও গুৰুজনাৰ আজ্ঞা শিৰোধাৰ্য কৰি এনে গীত ৰচনা ১০ পৃষ্ঠাত

## সংক্ষিপ্ত সংবাদ

### বুকুত অযুত সপোন বান্ধি টকিঅʼত লাভলীনা



বিশ্বৰ সৰ্বশ্ৰেষ্ঠ ক্ৰীড়াবিদৰ শ্ৰেষ্ঠত্ব অৰ্জনৰ যুঁজ অলিম্পিক। শতাব্দী প্ৰাচীন এই অলিম্পিক গেমছক কোৱা হয় বিশ্বৰ সৰ্ববৃহৎ ক্ৰীড়া মহোৎসৱ। বিশ্বৰ সৰ্ববৃহৎ ক্ৰীড়া মহোৎসৱত পদক জয়ৰ বহু আকাংক্ষিত সফলতা অৰ্জনৰ দুৰ্বাৰ হেঁপাহ বুকুত বান্ধি টকিঅʼত উপস্থিত হৈছে অসম কন্যা লাভলীনা বৰগোহাঁই। বিগত প্ৰায় এমাহ ধৰি ইটালীত উন্নত অনুশীলন চলোৱাৰ অন্তত যোৱা নিশা ভাৰতীয় বক্সিং দলৰ সৈতে অসমৰ ২ পৃষ্ঠাত

## পাঠভিত্তিক আলোচনা ঃ অষ্টম শ্ৰেণী

### ভাৰতত ইংৰাজ শাসনৰ প্ৰতিষ্ঠা, সম্প্ৰসাৰণ আৰু দৃঢ়ীকৰণ

✍ অনুপমা গোস্বামী

ছাত্ৰ-ছাত্ৰীসকল, আমি আজি এই পাঠটোৰ জৰিয়তে ভাৰতত ইংৰাজ শাসনৰ আৰম্ভণিৰ বিষয়ে আলোচনা কৰিম।

ইউৰোপীয় বেপাৰী জাতিবোৰ কেনেকৈ বেহা-বেপাৰ কৰিবলৈ আহি ভাৰতৰ আৰ্থ-সামাজিক অৱস্থা আৰু ৰাজনীতিৰ সৈতে জড়িত হৈ পৰিছিল সেই বিষয়ে আগৰ পাঠৰ পৰা নিশ্চয় জানিব পাৰিছা। ইয়াত আমি ইংৰাজ আৰু ফৰাচীসকলৰ মাজত তীব্ৰ ৰাজনৈতিক প্ৰতিদ্বন্দ্বিতাৰ অৱসান ঘটাই কেনেকৈ ইংৰাজসকলে ভাৰতত নিগাজিকৈ থাকিবলৈ এখন ৰাজ্য প্ৰতিষ্ঠা কৰিছিল তাৰ বিষয়ে আলোচনা কৰিম।

ভাৰতত ইংৰাজসকলৰ যেনেকৈ প্ৰধান ঘাটি বোম্বাই (মুম্বাই), মাদ্ৰাজ (চেন্নাই) আৰু কলিকতা (কলকাতা) আছিল, ঠিক তেনেকৈ ফৰাচীসকলৰ প্ৰধান ঘাটি আছিল দক্ষিণৰ পূব উপকূলত অৱস্থিত পণ্ডিচেৰী (পুডুচেৰী) আৰু বংগদেশৰ কলিকতাৰ ওচৰৰ ১১ পৃষ্ঠাত

# নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ এক অনুষ্ঠান ঃ সত্ৰ

✍ লোকেশ্বৰ ভৰালী



সত্ৰ হৈছে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱে অসমত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে স্থাপন কৰা এক অনুষ্ঠান। প্ৰথমতে অসমত ৬৬৫ খন সত্ৰ আছিল যদিও এতিয়া তাৰে বেছিভাগৰে অস্তিত্ব নাই। এইকেইখনৰ ভিতৰত ৬৫ খন কেৱল মাজুলীতে স্থাপন কৰা হৈছিল যাৰ ভিতৰত এতিয়া ২২ খনহে আছে। ধৰ্ম চৰ্চাৰ উপৰি সত্ৰসমূহ মহাপুৰুষীয়া তথা অসমীয়া সংস্কৃতি যেনে বৰগীত, সত্ৰীয়া নৃত্য, চালি নৃত্য, ঝুমুৰা নৃত্য, দশাৱতাৰ নৃত্য আদিৰ লগতে পুৰণি পুথি-পাজি আৰু আন আন বুৰঞ্জীমূলক সমলৰ ভঁৰাল। অসমৰ চাৰিখন ৰাজসত্ৰ হʼল ঃ আউনীআটী সত্ৰ, দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, কুৰুৱাবাহী সত্ৰ। যদিও এই চাৰি ৰাজসত্ৰ সমশ্ৰেণীত পৰে তথাপি ১০ পৃষ্ঠাত

সাপ্তাহিক জিজ্ঞাস এই সপ্তাহৰ উক্তি — যি সত্যই মানুহক মুক্ত কৰে ঠিক সেই সত্যটোকেই বেছিভাগ মানুহে শুনিবলৈ নিবিচাৰে— হাবাৰ্ট আগৰ।

# স ং ক্ষি প্ত স ং বা দ

উদীয়মান তাৰকাগৰাকী জাপানৰ ৰাজধানী চহৰ টকিঅ'ত অৱতৰণ কৰে। অলিম্পকলৈ যোগ্যতা অৰ্জন কৰা অসমৰ প্ৰথমগৰাকী মহিলা ক্ৰীড়াবিদ লাভলীনাক অলিম্পিকৰ গেমছ ভিলেজত আদৰণি জনায় আন এগৰাকী অসম সন্তানে।

উল্লেখ্য যে বিশ্ব বক্সিং চেম্পিয়নশ্বিপত দুবাৰকৈ ব্ৰঞ্জৰ পদক জয়েৰে ৰাজ্যলৈ ইতিমধ্যে গৌৰৱ কঢ়িয়াই অনা গোলাঘাটৰ বিৰল প্ৰতিভাৱান বক্সাৰ লাভলীনাই টকিঅ' অলিম্পিকৰ আৰম্ভণিৰ দিনাই ৰিঙত নামিব। অহা ২৩ জুলাইৰ পুৱা ৭.৩০ বজাত অসমৰ বক্সাৰগৰাকীয়ে টকিঅ' অলিম্পকত অভিযান আৰম্ভ কৰিব। তেওঁ ৬৯ কেজি ৱেল্টাৰৱেইট শাখাত ভাৰতক প্ৰতিনিধিত্ব কৰিব।

## অষ্ট্ৰেলিয়া পালেগৈ অসমীয়া সমাজৰ পঁইতা ভাত

অসমীয়া সমাজৰ এক চিনাকি খাদ্য পঁইতা ভাত। বাৰিষা পথাৰলৈ যোৱাৰ পূৰ্বে গ্ৰামাঞ্চলৰ বহুতেই আকৌ পঁইতা ভাত কেইটামানকে খাই দেহটো সবল কৰি লয়। কোনোৱে আকৌ পুৱাৰ হাল সামৰি আহি পঁইতা ভাতেৰে উদৰ পূৰায়। বিদেশত পঁইতা ভাতে এই স্বীকৃতি লাভ কৰাত কোনো অসমীয়া লোকৰ অৱদান নাই। এয়া সম্ভৱ হৈছে এগৰাকী বাংলাদেশী লোকৰ বাবেহে।

অসমৰ দৰেই বাংলাদেশ আৰু চুবুৰীয়া ৰাজ্য পশ্চিমবংগত জনপ্ৰিয় পঁইতা ভাত। অসমৰ দৰেই এই দুই ঠাইত পঁইতা ভাতৰ আছে বিশেষ আদৰ। শেহতীয়াকৈ বাংলাদেশৰ এগৰাকী মহিলাই পঁইতা ভাতক অষ্ট্ৰেলিয়াৰ এক টিভি অনুষ্ঠান "মাষ্টাৰ চেফ অষ্ট্ৰেলিয়া"ত পৰিৱেশন কৰি বিচাৰকৰ প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে। গুৰুত্বপূৰ্ণ কথাটো হ'ল এই পঁইতা ভাত অনুষ্ঠানটোৰ অন্তিম পৰ্যায়ত পঁইতা ভাত পৰিৱেশন কৰি বিচাৰকৰ মন জয় কৰিবলৈ সক্ষম হৈছে।

## ফটোৰ আঁৰৰ কাহিনী বিচাৰি নিজেই এক কাহিনীলৈ ৰূপান্তৰ হ'ল দানিশ ছিদ্দিকী



২০১৮ চনৰ পুলিৎজাৰ বঁটা বিজয়ী দানিশ ছিদ্দিকীৰ তালিবান আৰু আফগান সেনাৰ সংঘৰ্ষৰ ফটো সংগ্ৰহ কৰিবলৈ গৈ আফগানিস্তানত মৃত্যু হ'ল। এগৰাকী ফটো সাংবাদিক হিচাপে তেওঁ বিশ্বৰ শীৰ্ষ ফটো সাংবাদিকসকলৰ মাজত স্থান লাভ কৰিছিল।

আফগানিস্তানত দেশখনৰ সেনা আৰু তালিবানী সন্ত্ৰাসবাদীৰ মাজৰ সংঘৰ্ষৰ দৃশ্য বিশ্বৰ সন্মুখত তুলি ধৰিবলৈ কিছুদিনৰ পূৰ্বে উপস্থিত হৈছিলগৈ দানিশ ছিদ্দিকী। হাজাৰ হাজাৰ শব্দৰে প্ৰকাশ কৰিব নোৱাৰা যুদ্ধৰ বিভীষিকাৰ পৰিস্থিতিৰ খবৰ নিজৰ কেমেৰাৰ ফটোৰ সহায়ত বিশ্বৰ সন্মুখত তুলি ধৰিবলৈ যোৱা দানিশ অৱশেষত নিজেই এটা খবৰ হৈ পৰিল। ফটো ভাল পোৱা দানিশ নিজেই সতীৰ্থৰ কেমেৰাত আবদ্ধ হ'ল। সেয়াও আকৌ গুলীবিদ্ধ শৰীৰেৰে।

দানিশ ছিদ্দিকী আছিল এগৰাকী সাংবাদিক। নিউজ এ', হেডলাইনছ টুডে'ত সাংবাদিক হিচাপে তেওঁ কাম কৰিছিল। সাংবাদিক হিচাপে কাম কৰিলেও তেওঁৰ ফটোগ্ৰাফীৰ প্ৰতি আছিল এক বিশেষ আকৰ্ষণ। সেয়েহে তেওঁ কামৰ পৰা ছুটী লয় আৰু মহৰমৰ কভাৰেজৰ বাবে আমৰোহলৈ যায়, য'ত তেওঁ ৰাইটাৰৰ মুখ্য ফটোগ্ৰাফাৰক লগ পায়। তেতিয়াই ৰাইটাৰৰ মুখ্য প্ৰশিক্ষকজনক দানিশে নিজৰ কিছুমান ফটো দেখুৱায়। তেওঁৰ সেই ফটোবোৰ ৰাইটাৰৰ মুখ্য প্ৰশিককগৰাকীয়ে দেখি ইমানেই প্ৰভাৱিত হৈছিল যে সেই সময়তে তেওঁক ৰাইটাৰৰ হৈ কাম কৰাৰ প্ৰস্তাৱ দিলে। ইয়াৰ পাছতে সলনি হৈ পৰিছিল দানিশ ছিদ্দিকীৰ জীৱন।

## টকিঅ' অলিম্পিকত এইবাৰ খেলুৱৈয়ে নিজেই ল'ব পাৰিব পদক

মাত্ৰ এসপ্তাহ। তাৰ পাছতেই আৰম্ভ হ'ব বিশ্ব ক্ৰীড়াৰ সৰ্বোচ্চ প্ৰতিযোগিতা অলিম্পিক। ২০২০ চনৰ ২৩ জুলাইৰ পৰা অনুষ্ঠিত হ'বলগীয়া টকিঅ' অলিম্পিক কোৰোনা ভাইৰাছৰ সংক্ৰমণৰ বাবে এবছৰ পিছুৱাই ২০২১ চনৰ ২৩ জুলাইৰ পৰা অনুষ্ঠিত হ'ব। ইতিমধ্যে আয়োজক জাপানে সম্পূৰ্ণৰূপে টকিঅ' চহৰক সজাই তুলিছে।

আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল টকিঅ' অলিম্পিকত এইবাৰ পদক বিজয়ী খেলুৱৈক পদক ডিঙিত পিন্ধাই দিবলৈ নাথাকিব কোনো বিশেষ অতিথি। পদক বিজয়ী খেলুৱৈয়ে নিজেই পৰিধান কৰি ল'ব লাাগিব বিজয়ৰ স্বীকৃতি পদক। সকলো ইভেণ্টৰ স্বৰ্ণ পদক, ৰূপৰ পদক আৰু ব্ৰঞ্জৰ পদক বিজয়ীয়ে নিজেই পৰিধান কৰি ল'ব লাগিব অলিম্পিকস্থলীত।

বিজয়ী খেলুৱৈৰ স্বীকৃতি এই পদকসমূহ নিৰ্দিষ্ট একাংশ ব্যক্তিয়ে খেলুৱৈৰ কাষলৈ লৈ যাব। যিগৰাকী ব্যক্তিয়ে খেলুৱৈৰ বাবে এই পদক কঢ়িয়াই নিব তেওঁ হাতত পৰিধান কৰিব গ্ল'ভছ।

এইদৰে বহু কঠোৰ নীতি-নিয়মৰ মাজেৰে ২৩ জুলাইৰ পৰা অনুষ্ঠিত হ'ব টকিঅ' অলিম্পিক।এই মুহূৰ্তত বিশ্বৰ সকলো প্ৰান্তৰে ক্ৰীড়া প্ৰেমিৰ এটাই আশা সফলতাৰে অনুষ্ঠিত হওক টকিঅ' অলিম্পিক।

# বাজেট আৰু ইয়াৰ প্ৰয়োজনীয়তা

বা চৰকাৰে কোনো এক নিৰ্দিষ্ট সময়ৰ বাবে তৈয়াৰ কৰে। ভাৰতবৰ্ষত প্ৰতি বছৰে ফ্ৰেব্ৰুৱাৰী মাহত ভাৰত চৰকাৰে সাধাৰণ বাজেট উত্থাপন কৰে। কোনো ব্যক্তিবিষেশে তেওঁৰ পৰিয়ালৰ বাবে যি বাজেট প্ৰস্তুত কৰে তাক সেই ব্যক্তিগৰাকীৰ পৰিয়াল বাজেট বুলি কোৱা হয়।

বাজেট বাৰ্ষিক, মাহেকীয়া, সাপ্তাহিক বা দৈনিক হ'ব পাৰে। বাজেট প্ৰস্তুতিৰ বাবে প্ৰথমতে সেই সময়ছোৱাত হ'বলগা সকলো খৰচ একাদিক্ৰমে গুৰুত্ব অনুসৰি এটা ভাগত সজাই লোৱা হয়। আনটো ভাগত সেই সময়ছোৱাত হোৱা বিভিন্ন ধৰণৰ আয় সজোৱা হয়। এতিয়া যদি আয়ৰ পৰিমাণ ব্যয়তকৈ বেছি, তেতিয়া তাক ৰাহি বাজেট বা Surplus budget আৰু বিপৰীতে ব্যয় যদি আয়তকৈ বেছি তাক ঘাটি বাজেট বা Deficit budget বোলে। ঘাটি বাজেট ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশে প্ৰস্তুত কৰে যাতে উন্নয়ন তৰান্বিত কৰিব পাৰি। কিন্তু কোনো ব্যক্তিৰ পৰিয়ালৰ বাজেট ঘাটি বাজেট বা Deficit budget হ'ব নালাগে, যাতে ব্যক্তিজন বিত্তীয়ভাৱে ক্ষতিৰ সন্মুখীন নহয়। যদি কোনো ব্যক্তিৰ ব্যয় সেই সময়ছোৱাৰ তেওঁৰ আয়তকৈ বেছি, তেন্তে তেওঁ ব্যয়ক তিনিটা ভাগত ক্ৰমে

১) অতি প্ৰয়োজনীয়, ২) প্ৰয়োজনীয়, ৩) অপ্ৰয়োজনীয় আদি ভাগত ভগাই লৈ তেওঁৰ আয়কো ৫০:৩০:২০ ভাগত ভগাই ল'ব পাৰে।

এতিয়া তেওঁৰ অতি প্ৰয়োজনীয় ব্যয় ভাগত সেই সময়ছোৱাৰ তেওঁৰ আয়ৰ ৫০ শতাংশ ব্যৱহাৰ কৰিব পাৰে। প্ৰয়োজনীয় ব্যয়ৰ বাবে তেওঁ ৩০ শতাংশ আয় ব্যৱহাৰ কৰিব পাৰে।

বাকী ২০ শতাংশ আয় তেওঁ সঞ্চয় কৰি যাব লাগে। এনেদৰে তেওঁ বাজেটৰ যোগেদি অপ্ৰয়োজনীয় ব্যয় হ্ৰাস কৰি প্ৰতি বাজেটত ২০ শতাংশ আয় সঞ্চয় কৰিব সক্ষম হ'ব।

বহু উৎকণ্ঠাৰ অন্তত অৱশেষত পঞ্চদশ অসম বিধানসভা (Assam Assembly)ৰ প্ৰথমখন পূৰ্ণাংগ বাজেট অধিৱেশনত বাজেট দাখিল কৰিলে বিত্তমন্ত্ৰী অজন্তা নেওগে। পূৰ্বতকৈ কিছু পৃথক ৰূপত দেখা পোৱা গৈছে এই বাজেটখন।

## কি কি আছে অজন্তাৰ "মমতাময়ী" বাজেটত ?

১। নিযুক্তিৰ ক্ষেত্ৰত বিশেষ সিদ্ধান্ত। ১ লাখ ৪৩ জন নিবনুৱাক চৰকাৰী চাকৰিত নিযুক্তি প্ৰদান কৰা হ'ব। সৰ্বমুঠ ৪৯ টা চৰকাৰী বিভাগত হ'ব এই নিযুক্তি।

২। মাইক্ৰ'ফাইনেন্সৰ নিয়মীয়া কিস্তি পৰিশোধকাৰীলৈ ২৫ হাজাৰ টকাকৈ উদগনিমূলক সাহায্য। এই সন্দৰ্ভত ৭,৫০০ কোটি টকাৰ ব্যয় কৰাৰ সিদ্ধান্ত।

৩. "অৰুণোদয়" আঁচনিৰ ধন প্ৰতি মাহে ৮৩০ টকাৰ পৰা ১,০০০ টকালৈ বৃদ্ধি কৰা হ'ব। এই আঁচনিত অন্তৰ্ভুক্ত হৈছে ৬,৩৪,০০০ নতুন হিতাধিকাৰী। লগতে বছৰৰ এটা মাহ "অৰুণোদয় মাহ"ৰূপে পালন কৰা হ'ব।

৪। এহেজাৰ কোটি টকা ব্যয় সাপেক্ষে এহেজাৰ কিলোমিটাৰ মথাউৰি শক্তিশালী কৰাৰ লক্ষ্য।

৫। গাঁৱৰ শিপিনীসকলক সবল কৰাৰ উদ্দেশ্যে ১,২৩,০০০ গৰাকী শিপিনীক প্ৰশিক্ষণ দিয়া হ'ব।

৬। সমগ্ৰ অসমত এহেজাৰটা মডেল অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ কৰা হ'ব।

৭। মুঠ ৮০৫ খন চাহ বাগিচাত টেপ যোগে পানী যোগানৰ সিদ্ধান্ত।

৮। "অসম মালা" আঁচনিৰ অধীনত ২৬২ কিলোমিটাৰ সামৰি ১৩ টা নতুন পথ নিৰ্মাণ হ'ব।

৯। চাহ জনগোষ্ঠী আৰু আদিবাসীসকলৰ বাবে নিৰ্মাণ কৰা হ'ব নতুন কলাক্ষেত্ৰ।

১০। ৰাজ্যত গাই গৰু আৰু গাহৰি উৎপাদন বৃদ্ধিৰ লক্ষ্য।

১১। ৪ টা নতুন আৰক্ষী বেটেলিয়ন আৰু ফৰেনচিক গৱেষণাগাৰ গঠনৰ সিদ্ধান্ত গ্ৰহণ।

১২। পেঞ্চন আৰু ৰাজহুৱা ওজৰ-আপত্তি বিভাগৰ বাবে ৭৬৬.৫২ কোটি টকা ধাৰ্য। ইয়াৰ দ্বাৰা কৃতজ্ঞতা নামৰ এটা প'ৰ্টেল ৰূপায়ণৰ ব্যৱস্থা কৰা হৈছে।

১৩। পৰিবহণ বিভাগত ৪৮৮.৭৪ কোটি টকাৰ ধাৰ্য।

১৪। জনস্বাস্থ্য কাৰিকৰী বিভাগত ১২০৪.৩৬ কোটি টকাৰ ধাৰ্য।

## বাজেট প্ৰস্তুতি ঃ এখন বাজেটত মূলতঃ চাৰিটা মুখ্য বিষয় থাকে

**আয় ঃ** ই আপোনাৰ বিভিন্ন উৎসৰ পৰা প্ৰকৃততে কিমান ধন আহিছে সেইটো বুজি পোৱাত সহায় কৰে। আগতে উল্লেখ কৰা সৰু সাধুটোৰ ক্ষেত্ৰত ৰামেই হ'ল পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জন কৰা সদস্য আৰু তেওঁৰ আন কোনো উপাৰ্জনৰ উৎস নাই। আপোনাৰ নিজৰ ক্ষেত্ৰত উপাৰ্জনৰ সকলো উৎসসমূহ সন্নিৱিষ্ট কৰক আৰু আপোনাৰ পৰিয়ালত কেইজন লোকে উপাৰ্জন কৰে সেইটোও সন্নিৱিষ্ট কৰক। ঘৰ ভাড়া, ফিক্সড ডিপজিটৰ সুত বা আন বিত্তীয় সামগ্ৰী, শ্বেয়াৰ আদিৰ পৰা পোৱা লাভ আদি ধৰণৰ আন নিয়মীয়া ধনৰ উৎস আপোনাৰ আছেনে? আপুনি কেতিয়াবা কিবা ব্যৱসায়ৰ লাভাংশ লাভ কৰেনে? আৰু এনে লাভাংশৰ ধন পোৱাটো কিমান নিশ্চিত? সেই সকলোবোৰ প্ৰশ্নই আপোনাৰ আয় হিচাপ কৰি উলিওৱাত সহায় কৰিব।

**ব্যয় ঃ** আপোনাৰ খৰচৰ আনুমানিক হিচাপ কৰাত ই সহায় কৰে। কেৱল এটা মাহৰ খৰচৰ হিচাপ উলিয়ালে ইয়াৰ পৰা সঠিক খৰচৰ সিদ্ধান্তত উপনীত নহ'বও পাৰে। অতি কমেও ৩-৬ মাহলৈ আপুনি আপোনাৰ ১১ পৃষ্ঠাত



লক্ষ্মীৰাম বৰুৱা— সংগীতাচাৰ্য।

সাপ্তাহিক জিজ্ঞাস

সম্পাদকীয়

✍ ড° হুপেশ চৌধুৰী

২২ জুলাই - ২৮ জুলাই ■ ০৫ শাওন ■ ২০২১ গুৱাহাটী

# বাপুজীৰ শিক্ষা দৰ্শন আৰু ৰাষ্ট্ৰীয় শিক্ষানীতি

জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীয়ে নেতৃত্ব প্ৰদান কৰি কেৱল ২০০ বছৰীয়া ইংৰাজ ৰাজত্বৰ অৱসান ঘটাই ভাৰতক ৰাজনৈতিকভাৱে স্বাধীন কৰাইনাছিল, তেখেতে ভাৰতক এখন স্বাৱলম্বী আৰু উন্নত ৰাষ্ট্ৰ হিচাবে গঢ় দিবলৈ ইয়াৰ শৈক্ষিক, সাংস্কৃতিক, আৰ্থসামাজিক আদি ক্ষেত্ৰবোৰতো অহোপুৰুষাৰ্থ কৰিছিল। তেতিয়াৰ অনগ্ৰসৰ ভাৰতৰ প্ৰতিগৰাকী লোককে নৈতিক আৰু মানসিক মূল্যবোধৰ শিক্ষাৰে কিদৰে জ্ঞান দিব পাৰি তাৰ বাবেও তেখেতে আমাক মাৰ্গদৰ্শন দি থৈ গৈছে। জাতি-ধৰ্ম-বৰ্ণ তথা স্ত্ৰী-পুৰুষ-আবাল-বৃদ্ধ-বনিতা নিৰ্বিশেষে শিক্ষা গ্ৰহণ কৰিব পৰাকৈ তেখেতে সমগ্ৰ ভাৰতভূমিৰ শিক্ষাৰ ক্ষেত্ৰখনক এক নতুন মাত্ৰা প্ৰদানৰো প্ৰচেষ্টা অব্যাহত ৰাখিছিল।

বাপুজীৰ মতে শিক্ষা হৈছে জীৱনব্যাপী চলা এক অবিৰত প্ৰক্ৰিয়া আৰু ই জীৱনৰ এক চালিকা শক্তি। শিক্ষা সম্প্ৰসাৰণত ইতিপূৰ্বে প্ৰচলিত 3R নীতিৰ সলনি তেখেতে 3H নীতিৰ অৱতাৰণা কৰিছিল। বুনিয়াদী শিক্ষা ব্যৱস্থাত 3H নীতিত আছিল - Reading, Writing আৰু Arithmetic। অৰ্থাৎ পঢ়া, লিখা আৰু গণিতৰ জ্ঞান। বাপুজীৰ 3H নীতিত আছিল Hand, Heart আৰু Head। অৰ্থাৎ হাত (শৰীৰ), হৃদয় আৰু মস্তিস্ক। তেখেতৰ মতে সকলো ব্যক্তিৰ সৰ্বাংগীণ আৰু সৰ্বোৎকৃষ্ট শাৰীৰিক, আত্মিক আৰু বৌদ্ধিক বিকাশহে শিক্ষাৰ প্ৰকৃত সংজ্ঞা। মহাত্মাৰ মতে সাক্ষৰ মানে শিক্ষিত নহয়। সাক্ষৰতা শিক্ষাৰ অন্ত বা আদি নহয় ই এক সাধন যাৰ দ্বাৰা কোনো ব্যক্তি শিক্ষিত হ'ব পাৰে। শৰীৰ, মন আৰু আত্মাক শিক্ষাৰ দ্বাৰা বিকাশ ঘটাব পাৰিলেহে প্ৰকৃত অৰ্থত শিক্ষিত হ'ব পৰা যায়।

বাপুজীয়ে সৰ্বপ্ৰথম শিশুৰ শাৰীৰিক বিকাশত গুৰুত্ব দিবলৈ পৰামৰ্শ দিছিল, কাৰণ সুস্থ শৰীৰতহে সুস্থ মস্তিষ্কৰ নিৰ্মাণ হয় । শাৰীৰিক বিকাশৰ পিছত মানসিক আৰু ব্যক্তিগত বিকাশৰ প্ৰয়োজন। এই দুয়োবিধ বিকাশৰ বাবে ব্যক্তি এগৰাকী নৈতিক আৰু চাৰিত্ৰিকভাৱে বিশুদ্ধ হ'বই লাগিব আৰু ইয়াকে কৰিবলৈ হ'লে শিক্ষাৰ গুৰুত্ব অধিক। মানসিক তথা ব্যক্তিগত বিকাশৰ জৰিয়তে সামাজিক বিকাশ আৰু সামাজিক বিকাশৰ জৰিয়তেহে আত্মিক বিকাশ সম্ভৱ হয়। গান্ধীজীৰ শিক্ষা দৰ্শন মতে পৰস্পৰৰ মাজত প্ৰেম আৰু মানৱ সেৱাৰ মানসিকতা অবিহনে আত্মিক সম্বন্ধ অসম্ভৱ। আত্মিক বিকাশৰ বাবে সাংস্কৃতিক বিকাশে প্ৰচুৰ প্ৰাধান্যতা লাভ কৰে। সাংস্কৃতিক বিনিময়েহে সমাজত আত্মীয়তা বৃদ্ধিত সহায় কৰে।

শিশু কালৰ পৰাই লাভ কৰা নৈতিক কিম্বা চাৰিত্ৰিক শিক্ষাই মানুহ এগৰাকীক সত্য, অহিংসা, ব্ৰহ্মচৰ্য্য, সদাচাৰ, সহিষ্ণুতা, স্বনিৰ্ভৰতা আদি গুণেৰে সংপৃক্ত কৰি ৰাখে। স্বনিৰ্ভৰশীলতাৰ বাবে বাণিজ্যিক শিক্ষাৰ নিতান্তই জৰুৰী । আৰ্থিক বিকাশ হ'লেহে জীৱন ধাৰণৰ পথ সুগম হয়। ব্যক্তি এগৰাকীৰ এই সকলোবোৰ বিকাশৰ অন্তত জীৱনৰ অন্তিম ক্ষণত তেওঁক মোক্ষ লাভৰ বাবে কৰ্ম, ধৰ্ম, ভক্তি আৰু যোগৰ মাজেৰে আধ্যাত্মিক জ্ঞান লাভৰ শিক্ষাৰো নিতান্তই আৱশ্যক। তেহে এই ভৱ সংসাৰত মানৱ জীৱনে পূৰ্ণ সাৰ্থকতা পায়।

সেয়েহে গান্ধীজীৰ শিক্ষা দৰ্শনত প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ ছাত্ৰ-ছাত্ৰীসকলক মাতৃভাষাৰ জৰিয়তে হস্তকলা, উদ্যোগ, ব্যৱহাৰিক গণিত, সামাজিক বিষয়, সাধাৰণ বিজ্ঞান, সংগীত, চিত্ৰকলা, স্বাস্থ্য বিজ্ঞান আৰু আচৰণ তথা নীতিশিক্ষাৰ শিক্ষাই প্ৰাধান্য লাভ কৰিছিল। ৬ বছৰৰ পৰা ১৪ বছৰ পৰ্যন্ত শিশুৰ শিক্ষা বিনামূলীয়া কৰাৰ পোষকতা বাপুজীয়ে সেই কালতে কৰি থৈ গৈছিল । ফলপ্ৰসূ শিক্ষা গ্ৰহণৰ কাৰণে প্ৰয়োজনীয় কেইটামান শিক্ষা বিধিৰো মহামানৱগৰাকীয়ে পোষকতা কৰিছিল। অনুকৰণ বিধি, ক্ৰিয়া বিধি, মৌখিক বিধি, শ্ৰৱণ-মনন-নিদিধ্যাসন আদিৰ দৰে অতি মহত্বপূৰ্ণ শিক্ষণ বিধি সম্বলিত শিক্ষা দৰ্শন মহামানৱ গৰাকীয়ে আমাক প্ৰদান কৰিছিল। এই বিধিবোৰৰ লগতে তেখেতে অনুশাসন, শিক্ষাগুৰু, বিদ্যাৰ্থী, বিদ্যালয় আদিৰ প্ৰভাৱৰ বাখ্যাও তেখেতৰ শিক্ষা দৰ্শনত দি থৈ গৈছে।

স্বাধীনোত্তৰ কালত ভাৰতে কেইবাখনো "ৰাষ্ট্ৰীয় শিক্ষা নীতি" প্ৰস্তুত কৰি ইতিমধ্যে ৭৩ টা শিক্ষাবৰ্ষ পাৰ কৰিলে। যিমান আশা কৰা হ'ল হয়তো সিমান সুফল আমি লাভ কৰিব নোৱাৰিলোঁ। আমাতকৈ পিছত স্বাধীনতা লাভ কৰা বহু দেশে উন্নত দেশৰ মৰ্যাদা লাভ কৰিলে। আমি উন্নয়নশীল দেশৰ শাৰীতে ৰৈ গ'লো। পৃথিৱীৰ সৰ্ববৃহৎ গণতান্ত্ৰিক আৰু দ্বিতীয় সৰ্বোচ্চ জনসংখ্যাৰ দেশ তথা প্ৰচুৰ মানৱ সম্পদ আৰু প্ৰাকৃতিক সম্পদেৰে সমৃদ্ধ দেশ হৈও আজিলৈ শিক্ষাৰ এটা শক্তিশালী বুনিয়াদ তৈয়াৰ কৰিবলৈ আমি সমৰ্থবান হ'ব নোৱাৰিলোঁ। দুখৰ কথা, পৃথিৱীৰ প্ৰথম এশখন বিশ্ববিদ্যালয়ৰ তালিকাৰ ভিতৰতো আমি আজিলৈকে স্থান পাবলৈ সক্ষম নহ'লো।

চাৰি বেদ, ওঠৰ পুৰাণ, দুই মহাকাব্যৰ লগতে আন বহু ধৰ্মগ্ৰন্থ, উপনিষদ আৰু প্ৰাচীন সভ্যতাৰে পৰিপুষ্ট এইখন মহাভাৰতৰ আধুনিক শিক্ষাই কিয় ইমান পিছ পৰি ৰ'ল ই এক গৱেষণাৰ বিষয়। হয়তো আমাৰ আধুনিক চিন্তাবিদ আৰু বিগত চৰকাৰবোৰে উন্নত আধুনিক শিক্ষা প্ৰণালী প্ৰতিষ্ঠাৰ শুদ্ধ সূত্ৰ নিৰ্ণয় কৰি উলিয়াব পৰা নাই অথবা এই ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপত কাৰ্পণ্য কৰি আহিছে। যিয়েই নহওঁক, ৰাষ্ট্ৰপিতা মহাত্মা গান্ধীৰ শিক্ষা দৰ্শন আজিও অতি প্ৰাসংগিক।

বিগত প্ৰায় ৩৫ বছৰৰ পিছত যোৱা বছৰৰ ২৯ জুলাইত নতুন "ৰাষ্ট্ৰীয় শিক্ষা নীতি - ২০২০" ত কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনাইছে। এই নতুন শিক্ষানীতিৰ লক্ষ্য হ'ল, ২০৪০ চনৰ ভিতৰত ভাৰতৰ বৰ্তমানৰ প্ৰচলিত শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তন সাধন কৰি শৈক্ষিক ক্ষেত্ৰখনক এক নতুন ৰূপ প্ৰদান কৰা। এইবাৰৰ শিক্ষা নীতিত বিশ্বৰ আন উন্নত দেশৰ শিক্ষা নীতিৰ লগত ফেৰ মাৰিব পৰাকৈ কিছু নতুনত্বৰ সংযোজন ঘটিব হেনো। ইতিমধ্যেই চৰকাৰে ইয়াৰ ৰূপায়ণৰ কামত মনোযোগ দিয়া বুলি ৰাইজে ভাবিছে।

আমি প্ৰতিজন ভাৰতীয়ই আশাবাদী যে অদূৰ ভৱিষ্যতে ভাৰতৰ শিক্ষাক্ষেত্ৰ বিশ্ববাসীৰ এক আদৰ্শ শিক্ষাক্ষেত্ৰ হিচাপে পৰিগণিত হ'ব আৰু জাতিৰ পিতাৰ কল্পনাৰ মানৱ সমাজখন দিঠকত গঢ়ি উঠিব ।

## সপ্তাহটোৰ বিশ্ব



**২২ জুলাই** ঃ এই দিনটো ২০১২ চনত প্ৰণৱ কুমাৰ মুখাৰ্জীয়ে দেশৰ ত্ৰয়োদশ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হয়। ভাৰতীয় চন্দ্ৰ অভিযান মিছনৰ চন্দ্ৰযান-২ শ্ৰীহৰি কোট্টাৰ সতীশ ধাৱান মহাকাশ কেন্দ্ৰৰ পৰা ২০১৯ চনৰ এই দিনটোত উৰা মাৰে। ক্ৰিকেটাৰ বসন্ত ৰাণজানে (১৯৩৭) আৰু নেপথ্য গায়ক আৰমান মালিক (১৯৯৫) এই দিনটোত জন্ম হৈছিল। ভাৰতীয় সেনাৰ লেফ্‌টেনেণ্ট ভাৰতৰ প্ৰথমজন উৰাজাহাজৰ ফাইটাৰ পাইলট ইন্দ্ৰলাল ৰয়ৰ ১৯১৮ চনৰ এই দিনটোত মৃত্যু হৈছিল।

**২৩ জুলাই** ঃ "স্বৰাজ মোৰ জন্মস্বত্ব অধিকাৰ আৰু ইয়াক মই পাবই লাগিব" — এই উদ্ধৃতিৰ গৰাকী বাল গংগাধৰ তিলকৰ ১৮৫৬ চনৰ এই দিনটোতে জন্মলাভ কৰিছিল। এই দিনটোতে জন্মলাভ কৰা আন এজন সংগ্ৰামী চন্দ্ৰশেখৰ আজাদ (১৯০৬) আৰু গায়ক হিমেশ ৰেশমিয়া (১৯৭৩) অন্যতম। হিন্দী বোলছবি জগতৰ কমেডিয়ান মেহমুদ (২০০৪) আৰু স্বাধীনতা সেনানী লক্ষ্মী চাহগলৰ (২০১২) এই দিনটোত মৃত্যু হৈছিল।



**২৪ জুলাই** ঃ সফল চন্দ্ৰ অভিযানৰ এপ'ল' ১১ আজিৰ এই দিনটোও পৃথিৱীলৈ প্ৰত্যাৱৰ্তন কৰিছিল। এই দিনটোত জন্মলাভ কৰাসকলৰ ভিতৰত গুজৰাটৰ ১০ ম মুখ্যমন্ত্ৰী কেচুভাই পেটেল (১৯৩০), চিনেমা জগতৰ অভিনেতা মনোজ কুমাৰ (১৯৩৭), ব্যৱসায়ী আজিম প্ৰেম্‌জী (১৯৪৫) অন্যতম। অসামৰিক সেৱাৰ পিটাৰ দি নৰোনহাৰ এই দিনটোতে ১৯৭০ চনত মৃত্যু হৈছিল।

**২৫ জুলাই** ঃ এই দিনটোত ভাৰতৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাসকলৰ ভিতৰত ক্ৰমে ১৯৮২ চনত সপ্তম গৰাকী গিয়ানী জাইল সিং, ২০০৭ চনত ভাৰতৰ প্ৰথমগৰাকী মহিলা ৰাষ্ট্ৰপতি প্ৰতিভা পাটিল, ২০০৭ চনত চতুৰ্দ্দশ গৰাকী ৰামনাথ কোবিন্দ। এই দিনটোত প্ৰখ্যাত চিকাৰী জিম কৰবেট (১৮৭৫) আৰু লোকসভাৰ অধ্যক্ষ সোমনাথ চেটাৰ্জীৰ (১৯২৯) জন্ম হৈছিল। এই দিনটোত কেৰালাৰ ৰাজ্যপাল আৰ এছ গাভাৰ ২০১৫ চনত মৃত্যু হৈছিল।

**২৬ জুলাই** ঃ এই দিনটো 'কাৰ্গিল বিজয় দিৱস'। ১৯৯৯ চনৰ এই দিনটোত কাশ্মীৰত কাৰ্গিল খণ্ড ৬০ দিনৰ যুদ্ধৰ অন্তত সফলতা অৰ্জন কৰিছিল। ১৮৯২ চনৰ এই দিনটোত ব্ৰিটিছ সংসদলৈ নিৰ্বাচিত হোৱা প্ৰথমজন ভাৰতীয় হিচাপে দাদাভাই নৌৰজীয়ে লাভ কৰে। ২০০৫ চনৰ এই দিনটোত মুম্বাইত প্ৰবল বৃষ্টিপাতৰ ফলত সৃষ্টি হোৱা বানপানীত প্ৰায় ৫০০০ লোকৰ মৃত্যু হৈছিল। ১৮৬৫ চনৰ এই দিনটোত কবি ৰজনীকান্ত সেনৰ জন্ম হৈছিল। ২০১৫ চনৰ এই দিনটোত খনিমন্ত্ৰী বিজয়কৃষ্ণ সন্দিকৈৰ মৃত্যু হৈছিল।



**২৭ জুলাই** ঃ ২০১৫ চনৰ এই দিনটোত ভাৰতৰ একাদশ ৰাষ্ট্ৰপতি "মিছাইল মেন" এ পি জে আব্দুল কালামৰ চুবুৰীয়া ৰাজ্য মেঘালয়ত হৃদৰোগত আক্ৰান্ত হৈ আকস্মিক মৃত্যু ঘটে। এই দিনটোত জন্ম লাভ কৰাসকলৰ ভিতৰত ৰাজনীতিবিদ গুৰমুখ সিং বালি (১৯৫৪), সাংবাদিক অভিনেতা ৰাহুল বোস (১৯৬৭) আৰু নায়িকা কৃতি চানোন (১৯৯০) উল্লেখযোগ্য।

**২৮ জুলাই** ঃ এই দিনটো "বিশ্ব হেপাটাইটিছ দিৱস"। হেপাটাইটিছ ৰোগ সন্দৰ্ভত ইয়াৰ প্ৰকাৰৰ (A, B, C, D & E) ৰ বিষয়ে জনসাধাৰণক সজাগ কৰা আৰু এই ৰোগ প্ৰতিৰোধৰ বাবে ল'বলগীয়া সাৱধানতা তথা চিকিৎসা সন্দৰ্ভত উৎসাহ জন্মোৱাৰ বাবে এই দিৱস পালনৰ উদ্দেশ্য। ২০১৬ চনৰ এই দিনটোত লেখিকা মহাস্বেতা দেৱীৰ মৃত্যু হৈছিল।

✍ গৌতম কুমাৰ তালুকদাৰ

## কি ? কিয় ? কেনেকৈ ?

### ◆ ফলৰ ভিতৰত পোকৰ সৃষ্টি কেনেকৈ হয় ?



❑ পৈণত অৱস্থাত আম, বেঙেনা, ডালিম আদিত পোক থাকে। বাহিৰৰ পৰা চালে ফলৰ ভিতৰত পোক আছেনে নাই কোনো উমান পোৱা নাযায়। কিন্তু ফল কাটিলে পোকবিলাক ভিতৰৰ পৰা ওলায়। সাধাৰণতে গুবৰুৱা জাতীয় পতংগৰ পলুৰ পৰা এই পোকবোৰ সৃষ্টি হয়। অপৰিষ্কাৰ ঠাই এই পতংগবোৰৰ প্ৰজননৰ কাৰণে বিশেষ উপযোগী আৰু তেনে পৰিৱেশত যে পতংগবোৰ আক্ৰমণ কৰে এই ফলবোৰক। ইহঁতে ফুলৰ পৰা ফল ধৰাৰ প্ৰাৰম্ভিক অৱস্থাত কণী পাৰে। ফলৰ ভিতৰত এসপ্তাহমানৰ ভিতৰত কণী ফুটি পলু ওলায় আৰু ই ফলৰ মঙহাল অংশবোৰ খাই ফলৰ মাজলৈ সোমাই যায়। ফলবিলাক ক্ৰমশঃ ডাঙৰ হৈ অহাৰ লগে লগে এই কণমানি বিন্ধাবোৰ কোনো চিনমোকাম নোহোৱা হৈ পৰে। অৱশ্যে কিছুমান পতংগই তাৰ পূৰ্ণাংগ অৱস্থা পাবলৈ ফলৰ বাকলি কুটি কুটি ফুটা কৰি দিয়ে। অসমৰ সেমেকা জলবায়ু এই পতংগবোৰৰ প্ৰজননৰ কাৰণে উপযোগী। সেই হেতুকে অসমত সৃষ্টি হোৱা প্ৰায়ভাগ ফলতেই কম-বেছি পৰিমাণে পোক দেখা পোৱা যায়। পশ্চিমবংগ, বিহাৰ আদি ঠাইৰ পৰা অনা ফলবোৰৰ পোক নাথাকে। ইয়াৰ প্ৰধান কাৰণবোৰ হ'ল তাত থকা আমবাৰীবোৰ বেছ পৰিষ্কাৰ-পৰিচ্ছন্ন। তদুপৰি তাৰ মানুহে আমগছবিলাকত ফুল ধৰাৰ সময়ত গছজোপা চাফা কৰি ৰাখে। ফলত এই গুবৰুৱা পতংগবোৰে ফুলবোৰত আক্ৰমণ কৰিব নোৱাৰে।

## বীক্ষা

### বিফলতাই সফলতাৰ আধাৰ

**জী**ৱনত প্ৰত্যেক মানুহেই নিজ নিজ কাৰ্যত সাফল্য লাভ কৰিবলৈ বিচাৰে। কিন্তু বাস্তৱিকতে যি কামেই নহওক লাগে তাত সফলতা লাভ কৰাটো বৰ সহজ কথা নহয়। কাৰণ সাফল্য লভিবলৈ হ'লে মানুহক কিছুমান গুণাৱলীৰ প্ৰয়োজন হয়। কিন্তু কেতিয়াবা দেখা যায় যে, এই গুণাৱলী আয়ত্ত কৰাৰ পিছতো বহুসংখ্যক মানুহেই তেওঁলোকৰ কামত সফলতাৰ বিপৰীতে বাৰে বাৰে বিফলতাৰ মুখহে দেখি থাকিবলগীয়া হয়। ফলত তেওঁলোক বৰ হতাশ হৈ পৰি নিৰাশাগ্ৰস্ততাৰ চিকাৰ হয়। এনে ক্ষেত্ৰত আমি নিৰাশ হোৱা অনুচিত। এই কথা প্ৰণিধানযোগ্য যে শান্ত সাগৰে দক্ষ নাৱিকৰ সৃষ্টি নকৰে। অৰ্থাৎ সংঘাত নহ'লে জীৱনত একোতেই সুফল পোৱা নাযায়। মনত ৰখা উচিত, কোনো মানুহ কিমান ওপৰলৈ গ'ল, তাৰ ওপৰত সাফল্য নিৰ্ভৰ নকৰে। সাফল্য নিৰ্ভৰ কৰে তেওঁ তেওঁৰ লক্ষ্যৰ যাত্ৰা পথত আগবাঢ়োতে বাৰে বাৰে পৰি যোৱাৰ পিছতো কেনেদৰে আকৌ উঠি আহিছে তাৰ ওপৰতহে। অৰ্থাৎ বাৰে বাৰে বাধা অতিক্ৰম কৰিও আকৌ কামত লাগিব পৰা দক্ষতাটোৱেহে সাফল্য নিৰূপণ কৰে।

উৎস ঃ মানুহ হোৱাৰ সাধনা (মৌচম গগৈ)

**সংগ্ৰহ ঃ শ্ৰীকুলদীপ ৰঞ্জন দত্ত,** শ. শি. নি শিমলুগুৰি।

## চিঠি-পত্ৰ

**সম্পাদক মহোদয়,**

নমস্কাৰ সহিতে মোৰ আন্তৰিক শ্ৰদ্ধা গ্ৰহণ কৰিব। বহু দিনৰ অন্তত কিছুমান কাৰণ আৰু আশা লৈ জিজ্ঞাসলৈ মই মোৰ দ্বিতীয় পত্ৰখনি লিখিছো। জিজ্ঞাস ক্ৰয় কৰা বৰ বেছি দিন হোৱা নাই যদিও এইখন আলোচনী মোৰ গৃহ শিক্ষকস্বৰূপ। যাৰ ঋণ হয়তো মই পূৰাব নোৱাৰো। তথাপি সম্পাদক মহোদয়, আপোনাৰ ওচৰত এটা অনুৰোধ অনুগ্ৰহ কৰি এই বৰ্ষৰ আৰম্ভণিতে আপোনালোকে যেনেকৈ দশম শ্ৰেণীৰ ইংৰাজী বিষয়ৰ প্ৰথম পাঠ A Letter to God আৰু দ্বিতীয় পাঠ Nelson Mandela ৰ অতিৰিক্ত প্ৰশ্নোত্তৰ প্ৰকাশ কৰিছিল, তেনেকৈ বাকীকেইটা অধ্যায়ৰো অতিৰিক্ত প্ৰশ্নোত্তৰ প্ৰকাশ কৰিলে মই আপোনাৰ ওচৰত চিৰকৃতজ্ঞ হ'ম। কিয়নো পাঠভিত্তিক প্ৰশ্নৰ উত্তৰখিনিয়েই আমাৰ বাবে যথেষ্ট নহয়। আনহাতে জিজ্ঞাসৰ 'মত-অভিমত' শিতানত আপোনালোকে প্ৰকাশ কৰা চিঠিৰ তলত পূৰ্বৰ দৰে আপোনাৰ মতামত আৰু চিঠিৰ লগত বিচৰা প্ৰশ্নৰ সমাধানবোৰ লগে লগে লাভ কৰিলে আমি যথেষ্ট লাভৱান হ'ম বুলি মই ভাবো।

সদৌ শেষত, জিজ্ঞাসৰ দৰে সুপাঠ্য আলোচনী এখনৰ ত্ৰুটি বিচাৰিবলৈ মই উপযুক্ত নহয় যদিও মই মোৰ ফালৰ পৰা এক অনুৰোধহে জনালো। জিজ্ঞাসৰ পঢ়ুৱৈ শিক্ষাৰ্থীসকলৰ বাবে ই এক আশাৰ ৰেঙনি। এই ৰেঙনিৰ জনপ্ৰিয়তাই সদায় বিকাশ লাভ কৰক। তাৰে কামনাৰে।

**ত্ৰিদিপন্না ভূঞা**
দশম শ্ৰেণী

## জ্ঞান-বিজ্ঞান

### এশ বিধ শাকৰ নাম হ'ল —

| | | | |
|---|---|---|---|
| ১। সৰু মানিমুনি | ২। মাজু মানিমুনি | ৩। বৰ মানিমুনি | ৪। মাটিকাঁদুৰী |
| ৫। লাইজাবৰি | ৬। মচন্দৰী | ৭। কেঁহেৰাজ | ৮। পনৌনৌৱা |
| ৯। শুকলতি | ১০। ঢেকীয়ালতি | ১১। টংলতি | ১২। ভোমলতি |
| ১৩। কেৰেলালতি | ১৪। বৰটেঙেচী | ১৫। সৰু টেঙেচী | ১৬। শলিকচু |
| ১৭। ওলকচু | ১৮। দহিকচু | ১৯। তেলীকচু | ২০। পানীকচু |
| ২১। পঞ্চমুখী কচু | ২২। টেঁপু কচু | ২৩। মাখন কচু | ২৪। মানকচু |
| ২৫। লৰবৰুৱা | ২৬। টিকনি বৰুৱা | ২৭। মিঠামৰা | ২৮। তিতামৰা |
| ২৯। চেংমৰা | ৩০। নৰসিংহ | ৩১। ভেদাইলতা | ৩২। মৰলীয়া |
| ৩৩। বন খুতুৰা | ৩৪। সৰু খুতুৰা | ৩৫। মাজুখুতুৰা | ৩৬। হাতী খুতুৰা |
| ৩৭। বৰখুতুৰা | ৩৮। বনজালুক | ৩৯। গৰখীয়া জালুক | ৪০। মহানিম |
| ৪১। ভাতপঁইতা | ৪২। লেহেতী | ৪৩। জিলমিল | ৪৪। চুতীয়ালফা |
| ৪৫। ভুনভুনি ঢেকীয়া | ৪৬। দুধশাক | ৪৭। দোৰোণ বন | ৪৮। তিতা বাহেক |
| ৪৯। মেচাকী মেজেঙা | ৫০। নেফাফু | ৫১। মেটেকা | ৫২। লাচকচি |
| ৫৩। তিতাকচি | ৫৪। ভেকুৰী | ৫৫। গছপখিলা | ৫৬। লতাপখিলা |
| ৫৭। বিহলঙনী | ৫৮। বৰপুৰৈ | ৫৯। সৰুপুৰৈ | ৬০। ৰঙাপুৰৈ |
| ৬১। ঢেঁকীয়া | ৬২। কপৌঢেঁকীয়া | ৬৩। কাচিডঁৰীয়া | ৬৪। নগা নহৰু |
| ৬৫। পনৰু | ৬৬। পানীহেলেচী | ৬৭। মাটিহেলেচী | ৬৮। ভেঁটলতি |
| ৬৯। পদুমলতি | ৭০। বাঘআঁচোৰা | ৭১। মধুসোলেং | ৭২। পিৰালি পালেং |
| ৭৩। বনলাই | ৭৪। টেঙামৰা | ৭৫। কলমৌ | ৭৬। মনোৰা |
| ৭৭। ৰামতুলসী | ৭৮। বনতুলসী | ৭৯। লাই | ৮০। লফা |
| ৮১। পালেং | ৮২। বাবৰি | ৮৩। চুকা | ৮৪। তুবুকী লতা |
| ৮৫। ভেবেলী লতা | ৮৬। পচতীয়া | ৮৭। পাৰ্বতী | ৮৮। ধনিয়া |
| ৮৯। বালি-বাবৰি | ৯০। মালভোগবন | ৯১। ধপাততিতা | ৯২। ভৃংগৰাজ |
| ৯৩। ব্ৰাহ্মী | ৯৪। ডেমডেউকা | ৯৫। মানধনিয়া | ৯৬। নলটেঙা |
| ৯৭। গংগামূলা | ৯৮। ভূতমূলা | ৯৯। গুণমলা | ১০০। বালি-বলুকা । |

■ **নয়না গগৈ,** শংকৰদেৱ শিশু নিকেতন, শিৱসাগৰ

## আমাৰ বিদ্যালয়

**'আমাৰ বিদ্যালয়' শিতান** — অহা সংখ্যা (২৯ জুলাইৰ পৰা ০৪ আগষ্ট)ৰ পৰা আৰম্ভ কৰা হ'ব। উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত পোনপ্ৰথমে স্থাপিত ১৮৩৪ চনত গুৱাহাটীস্থ কটন কলেজিয়েট বিদ্যালয়ৰ সবিশেষ প্ৰকাশ কৰা হ'ব। — সম্পাদক

### লিখা বিচাৰি

জিজ্ঞাসৰ সকলো পঢ়ুৱৈৰ লগতে অসমৰ বিদ্যায়তনিক ক্ষেত্ৰত জড়িত সকলো শ্ৰেণীৰ লোকৰ জ্ঞাতাৰ্থে জনোৱা হ'ল যে জিজ্ঞাস প্ৰকাশন গোষ্ঠীৰ দ্বাৰা প্ৰকাশিত শিক্ষা বিষয়ক জনপ্ৰিয় সাপ্তাহিক বাৰ্তালোচনী **'জিজ্ঞাসে'** সগৌৰৱে একত্ৰিশ বৰ্ষত ভৰি দিলে।

বিগত দিনবোৰত অসমৰ শিক্ষা ক্ষেত্ৰখনত এক মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈ উঠা জিজ্ঞাসত আগন্তুক এপ্ৰিল মাহৰপৰা **'আমাৰ বিদ্যালয়'** নামেৰে এটি নতুন শিতান সংযোজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। প্ৰথম অৱস্থাত 'হীৰক জয়ন্তী' পাৰ কৰা অসমৰ উচ্চ মাধ্যমিক বা উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহক পঢ়ুৱৈসকলক চিনাকি কৰি দিয়াৰ প্ৰয়াস কৰা হৈছে। এই উদ্দেশ্য পূৰণাৰ্থে আমি তলত উল্লেখ কৰা মূল কথাকেইটাৰ ওপৰত ভিত্তি কৰি লিখা একোটা লেখা বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্তৃপক্ষ, শুভাকাংক্ষী তথা ছাত্ৰ-ছাত্ৰীসকলৰ পৰা আশা কৰিলো।

**লেখাত প্ৰকাশ পাবলগা মূল কথাকেইটা —**

- ❒ বিদ্যালয়ৰ ফটো একপি।
- ❒ নাম, স্থাপিত বৰ্ষ আৰু বৰ্তমানৰ অধ্যক্ষৰ নাম।
- ❒ চমু ইতিহাস।
- ❒ বিদ্যালয়ত থকা অন্যান্য সা-সুবিধা।
- ❒ বৰ্তমানৰ সামগ্ৰিক পৰিৱেশ।
- ❒ বিদ্যালয়ে লাভ কৰা কৃতিত্ব।
- ❒ বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ কৃতিত্ব।

সম্পাদক,
**জিজ্ঞাস বাৰ্তালোচনী**

**লেখা পঠিওৱাৰ ঠিকনা**
জিজ্ঞাস কাৰ্যালয় ঃ জিজ্ঞাস প্ৰিণ্টাৰ্ছ এণ্ড পাব্লিছাৰ্ছ, উদ্যোগ পাম, বামুণীমৈদাম, গুৱাহাটী-২১
ফোন - ০৩৬১- ২৬৫১০২৪, + ৯১-৮৬৩৮৭৮৬১৪৯
Email : jigyaspublication@gmail.com, Whatsapp No. : +91-6913407317

## নৱম শ্ৰেণী — পাঠভিত্তিক আলোচনা

# THE FUN THEY HAD

যোৱা সংখ্যাৰ পিছৰ পৰা

✍ মনালী বৰ্মন



III. Answer each of these questions in a short paragraph (about 30 words).

1. What kind of teachers did Margie and Tommy have?

Ans: Margie and Tommy had mechanical teachers. They were large, black and ugly with a large black screen on which all the lessons were shown and questions were asked. The mechanical teacher was always on at the same time every day except Saturday and Sunday. They learned Geography, History and Arithmetic.

2. Why did Margie's mother send for the County Inspector?

Ans: Margie had been given many tests in Geography by the mechanical teacher but there was no improvement in her performance, rather it was getting worse. That is why Margie's mother sent for the County Inspector to check if there was a problem with the mechanical teacher.

3. What did he do?

Ans: The County Inspector took the teacher apart. He fixed the problem within an hour and brought it back to Margie again. As the geography sector was geared a little too quick, he slowed it up to an average ten year level.

4. Why was Margie doing badly in geography? What did the County Inspector do to help her?

Ans: Margie was doing badly in geography because the geography sector was geared a little too quick.

The county inspector slowed it up to an average ten year level and said that these things happened sometimes with the mechanical teacher. He encouraged Margie, patted her head and told Mrs. Jones that except geography Margie's overall performance was quite satisfactory.

5. What had once happened to Tommy's teacher?

Ans: The History sector had blanked out completely in Tommy's mechanical teacher. It had been taken away for nearly a month to fix the problem.

6. Did Margie have regular days and hours for school? If so, why?

Ans: Yes, Margie had regular days and hours for school. It was on the same time every day except Saturday and Sunday.

It was because according to Mrs. Jones little girls learned better if they learned at regular hours.

7. How does Tommy describe the old kind of school?

Ans: Tommy described the old kind of schools as a special building where all kids studied together. The children came, laughed and shouted together in the schoolyard. They sat together in the schoolroom and went home together at the end of the day. They learned the same things if they were of the same age group.

8. How does he describe the old kind of teachers?

Ans: Tommy told Margie that centuries ago teachers were human beings. They did not live in the house of the student like the mechanical teachers. They had a special building where teachers and students went for teaching and learning. The teachers told the boys and girls things and gave them homework and asked questions.

IV. Answer each of these questions in two or three paragraphs (100 –150 words).

1. What are the main features of the mechanical teachers and the schoolrooms that Margie and Tommy have in the story?

Ans: Tommy and Margie had mechanical teachers. These were adjusted according to the age level of the students. On the big screen of the mechanical teacher all the lessons were shown and the questions were asked. It had slots to put homework and test papers. And students had to write them out in a punch code. Mechanical teacher could calculate marks in no time. Students had been given tests on various subjects by the mechanical teachers.

The Classroom where Margie attended her classes was a virtual classroom. Margie had no classmates. Her school was next to her bedroom. They learned through computers. It was robotic with no human involvement.

2. Why did Margie hate school? Why did she think the old kind of school must have been fun?

Ans: Margie hated school for various reasons. She had a mechanical teacher which according to her was large, black and ugly. It kept giving her test after test. She did not have any classmates and had to do everything all alone. She hated the part when she had to insert the homework and test papers in the slot using a punch code. She did her work but with a sigh as it was robotic.

She thought that the old kind of school must have been fun as she imagined all the kids from the neighbourhood coming, laughing, shouting together in the schoolyard, sitting together in the school room. Also, at the end of the day how they would go back home together. They would learn the same things and could help one another with the homework and talk about it. As teachers were human beings it would not be so mechanical and they would help and make things interesting for the students.

These aspects of schools from centuries ago made Magie think that the old kind of school must have been fun.

## দশম শ্ৰেণী — পাঠভিত্তিক আলোচনা

# A Letter to God

✍ মেঘালী শইকীয়া





A Letter to God is a story written by G. L. Fuentes which depicts the unshakeable faith of a poor and naive farmer named Lencho in God. Lencho was needy yet a committed and devoted farmer. He was aspiring for a satisfactory harvest.

Lencho had his isolated house in the valley which was situated at the top of a low hill. One can detect the river and fields from there. He had quite profitable crops. The only thing he was anticipating was a good amount of downpour or at least a shower.

Lencho observed the sky in the north which was building rain clouds. His wife was preparing the supper. He told her that God is willing to pour down. Soon big drops of rain began to descend. The air was so cool and refreshing. Lencho went out to feel the rain on his body. He was very pleased. He said delightedly that the drops of rain were new coins.

To his dismay, a strong wind along with large hailstones began to fall which mirrored new silver coins. His sons dispersed to collect those crystals.

Lencho earnestly hoped that the hail should pass quickly. But it continued for an hour without fail on the whole valley. The field became white as if covered with salt.

It destroyed all his crops and harvest completely. Seeing this destruction, Lencho was thunder-stricken and felt sorrowful. When the storm drove away, he told his sons, standing central to the field that a plague of insects had been better than this. He felt that they would be hunger stricken that year and there's nobody to help them. (অহা সংখ্যাত)

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

# অসম কৃষি-ব্যবসা উন্নয়ন পরীক্ষাগার

## কৃষি এবং আনুষঙ্গিক ক্ষেত্রের প্রারম্ভিক পদক্ষেপে সহায়তার হাত

- উদ্যোগগুলোকে কারিগরি এবং আর্থিক সহযোগিতা
- ব্যবসায়িক কর্মশালা এবং প্রশিক্ষণের ব্যবস্থা
- খাদ্যসামগ্রীর মান উন্নত করা
- নিত্য-নুতন প্রযুক্তি গ্রহণের মাধ্যমে নতুন সামগ্রীর বিকাশ ঘটানো

### যোগ্যতা

- 'লাভের জন্য' শিল্প স্থাপন হওয়া উচিত
- কৃষি এবং আনুষঙ্গিক ক্ষেত্রে ১-৫ বছরের জন্য কার্যকর থাকতে হবে
- পরবর্তী ৮-১২ মাসে ১০ লাখ থেকে ৫ কোটি টাকার মধ্যে পুঁজি উন্নয়ন অনুসন্ধানী হতে হবে



আবেদনের চূড়ান্ত তারিখ ঃ ২৫ জুলাই, ২০২১

যোগাযোগের নম্বর ঃ ৯৮৯৯৬৩৭৪৯২

ই মেইল ঃ supportaagl@ciieindia.org

ওয়েব সাইট ঃ aagl.ciie.co

অসম কৃষি বাণিজ্য এবং গ্রাম্য রূপান্তরকরণ প্রকল্পের অধীনে CIIE.CO এর একটি পদক্ষেপ

পঞ্জীয়ন করুন : assam.mygov.in /mygovassam

তথ্য ও জনসংযোগ সঞ্চালকালয়, অসম দ্বারা প্রচারিত  Follow Us /@diprassam  https://dipr.assam.gov.in/

জনসংযোগ/৯২৯/২১

# দশম শ্ৰেণী

## পাঠ ঃ দুটা চলকত ৰৈখিক সমীকৰণৰ যোৰ

যোৱা সংখ্যাৰ পিছৰ পৰা

✍ গীতাঞ্জলি দেৱী

**প্ৰশ্ন ঃ** $\frac{7x-2y}{xy}=5$

$\Rightarrow \frac{7x}{xy}-\frac{2y}{xy}=5$

$\Rightarrow \frac{7}{y}-\frac{2}{x}=5$ —— (1)

$\frac{8x+7y}{xy}=15 \Rightarrow \frac{8x}{xy}+\frac{7y}{xy}=15$

$\Rightarrow \frac{8}{y}+\frac{7}{x}=15$ —— (2)

ধৰা হ'ল, $\frac{1}{x}=p,\ \frac{1}{y}=q$

$\therefore$ (1)$\Rightarrow$ 7q – 2p = 5

$\Rightarrow$ 7q = 5 + 2p

$\Rightarrow q=\frac{5+2p}{7}$ —— (3)

(2)$\Rightarrow$ 8q + 7p = 15

$\Rightarrow$ 8q = 15 – 7p

$\Rightarrow q=\frac{15-7p}{8}$ —— (4)

(3) & (4)$\Rightarrow \frac{5+2p}{7}=\frac{15-7p}{8}$

$\Rightarrow$ 40 + 16p = 105 – 49p

$\Rightarrow$ 16p + 49p = 105 – 40

$\Rightarrow$ 65p = 65

$\Rightarrow p=\frac{65}{65} \Rightarrow p=1$

$\Rightarrow \frac{1}{x}=1 \Rightarrow x=1$

$\Rightarrow \frac{1}{y}=1$

$\therefore$ (3)

$\Rightarrow \frac{1}{y}=1 \Rightarrow y=1$

**প্ৰশ্ন ঃ** $\frac{10}{x+y}+\frac{2}{x-y}=4$ —— (1)

$\frac{15}{x+y}-\frac{5}{x-y}=-2$ —— (2)

ধৰা হ'ল, $\frac{1}{x+y}=p,\ \frac{1}{x-y}=q$

$\therefore$(1)$\Rightarrow$ 10p + 2q = 4

$\Rightarrow$ 5p + q = 2 [2 ৰে হৰণ কৰি]

(2)$\Rightarrow$ 15p – 5q = –2 —— (4)

(3) × 3$\Rightarrow$ 15p + 3q = 6 —— (5)

(4) – (5)$\Rightarrow$ 15p – 5q – (15p + 3q) = – 2 –6

$\Rightarrow$ 15p – 5q – 15p – 3q = –8

$\Rightarrow$ – 8q = –8 $\Rightarrow$ q = 1

$\Rightarrow \frac{1}{x-y}=1$

$\Rightarrow$ x – y =1 —— (6)

(3)$\Rightarrow$ 5p + 1 = 2 [$\because$ q = 1]

$\Rightarrow$ 5p = 2 – 1

$\Rightarrow p=\frac{1}{5} \Rightarrow \frac{1}{x+y}=\frac{1}{5}$

$\Rightarrow$ x + y = 5 —— (7)

(6) + (7)$\Rightarrow$ 2x = 6

$\Rightarrow$ x = 3

(7) + (6)$\Rightarrow$ 2y = 4

$\Rightarrow$ y = 2

$\therefore$ নিৰ্ণেয় সমাধান, x = 3  y = 2

**প্ৰশ্ন ঃ** $\frac{1}{3x+y}+\frac{1}{3x-y}=\frac{3}{4}$ —— (1)

$\frac{1}{2(3x+y)}-\frac{1}{2(3x-y)}=\frac{1}{8}$ —— (2)

ধৰা হ'ল, $\frac{1}{3x+y}=p,\ \frac{1}{3x-y}=q$

$\therefore$ (1)$\Rightarrow p+q=\frac{3}{4}$

$\Rightarrow p=\frac{3}{4}-q$ —— (3)

(2)$\Rightarrow \frac{p}{2}-\frac{q}{2}=-\frac{1}{8}$

$\Rightarrow \frac{p-q}{2}=-\frac{1}{8} \Rightarrow p-q=-\frac{2}{8}$

$\Rightarrow p=q-\frac{1}{4}$ —— (4)

(3) & (4)$\Rightarrow \frac{3}{4}-q=q-\frac{1}{4}$

$\Rightarrow -q-q=\frac{-1}{4}-\frac{3}{4}$

$\Rightarrow -2q=\frac{-4}{4} \Rightarrow q=\frac{1}{2}$

$\Rightarrow \frac{1}{3x-y}=\frac{1}{2}$

$\Rightarrow$ 3x – y = 2 —— (5)

$\therefore$ (3) $p=\frac{3}{4}-\frac{1}{2}$ [$\because q=\frac{1}{2}$]

$=\frac{3-2}{4}=\frac{1}{4} \Rightarrow \frac{1}{3x+y}=\frac{1}{4}$

$\Rightarrow$ 3x + y = 4 —— (6)

$\therefore$ (5) + (6)$\Rightarrow$ 6x = 6 $\Rightarrow$ x = 1

$\therefore$ (5)$\Rightarrow$ –y = 2 – 3x

= 2 – 3×1  = – 1

$\Rightarrow$ y = 1

$\therefore$ নিৰ্ণেয় সমাধান; x = 1  y = 1

(অহা সংখ্যাত)

# অষ্টম শ্ৰেণী ঃ পাঠভিত্তিক আলোচন

## পৰিমেয় সংখ্যা

যোৱা সংখ্যাৰ পিছৰ পৰা

(iv) $\frac{2}{-9}$

$\frac{2}{-9}$ ৰ যোগাত্মক বিপৰীত সংখ্যা হ'ল $\frac{2}{9}$ কাৰণ

$-\frac{2}{9}+\frac{2}{9}=\frac{-2+2}{9}=\frac{0}{9}=0$

(v) $\frac{19}{-6}$

$\frac{19}{-6}$ ৰ যোগাত্মক বিপৰীত সংখ্যা $\frac{19}{6}$ কাৰণ,

$\frac{-19}{6}+\frac{19}{6}=\frac{-19+19}{6}=\frac{0}{6}=0$

**3.** $x$ ৰ বিভিন্ন মানৰ বাবে প্ৰমাণ কৰা যে $-(-x)=x$ ঃ

(i) $x=\frac{11}{15}$  (ii) $-\frac{13}{17}$

**সমাধান ঃ** (i) $x=\frac{11}{15}$

বাওঁপক্ষ $=-(-x)$

$=-\left(-\frac{11}{15}\right)$

$=\frac{11}{15}=x$

= সোঁপক্ষ

অৰ্থাৎ, $x=\frac{11}{15}$ ৰ বাবে $-(-x)=x$ প্ৰমাণিত হ'ল।

(ii) $x=-\frac{13}{17}$

বাওঁ পক্ষ $=-(-x)$

$=-\left\{-\frac{-13}{17}\right\}$

$=-\frac{13}{17}$

$=x$ = সোঁ পক্ষ

অৰ্থাৎ $x=-\frac{13}{17}$ ৰ বাবে $-(-x)=x$ প্ৰমাণিত হ'ল

**4. তলত দিয়াবিলাকৰ গুণাত্মক বিপৰীত সংখ্যাবোৰ লিখা।**

(i)–13

(ii) $=\frac{-13}{19}$ (iii) $\frac{1}{5}$ (iv) $\frac{-5}{8}\times\frac{-3}{7}$

(v) $-1\times\frac{-2}{5}$ (vi) –1

**সমাধান ঃ** **(i) – 13**

–13 ৰ গুণাত্মক বিপৰীত সংখ্যা হ'ল $\frac{-1}{13}$ কাৰণ,

$(-13)\times\left(\frac{-1}{13}\right)=1$

(ii) $\frac{-13}{19}$

$\frac{-13}{19}$ ৰ গুণাত্মক বিপৰীত সংখ্যা $\frac{-19}{13}$ কাৰণ,

$\left(\frac{-13}{19}\right)\times\left(\frac{-19}{13}\right)=1$

(iii) $\frac{1}{5}$

$\frac{1}{5}$ ৰ গুণাত্মক বিপৰীত সংখ্যা 5 কাৰণ

$\frac{1}{5}\times 5=1$

(iv) $\frac{-5}{8}\times\frac{-3}{7}$

$\frac{-5}{8}\times\frac{-3}{7}=\frac{(-5)\times(-3)}{8\times 7}=\frac{15}{56}$

$\therefore \frac{-5}{8}\times\frac{-3}{7}$ ৰ গুণাত্মক বিপৰীত সংখ্যা $\frac{56}{15}$

কাৰণ, $\left(\frac{-5}{8}\times\frac{-3}{7}\right)\times\frac{56}{15}$

$=\frac{15}{56}\times\frac{56}{15}=1$

(v) $-1\times\frac{-2}{5}$

$-1\times\frac{-2}{5}=\frac{(-1)\times(-2)}{5}=\frac{2}{5}$

$\therefore -1\times\frac{-2}{5}$ ৰ গুণাত্মক সংখ্যা $\frac{5}{2}$

কাৰণ,

$(-1\times\frac{-2}{5})\times\frac{5}{2}=\frac{2}{5}\times\frac{5}{2}=1$

(vi) –1

–1 ৰ গুণাত্মক বিপৰীত সংখ্যা $\frac{1}{-1}$ অৰ্থাৎ $\frac{-1}{1}=-1$

কাৰণ $(-1)\times(-1)=1$

(অহা সংখ্যাত)



ৰুদ্ৰ বৰুৱা — লুইত কোঁৱৰ।





## ম'বাইল ফোনৰ সদ্ব্যৱহাৰ ...

**মৰমৰ ভাইটি/ভণ্টীহঁত**

তথ্য-প্ৰযুক্তিৰ অভাৱনীয় উত্তৰণৰ ফলত বৰ্তমানে আমাৰ প্ৰায় আটাইৰে হাতত একেবাৰে সহজলভ্য হৈ উঠা এবিধ যান্ত্ৰিক আহিলা হৈছে 'ম'বাইল ফোন'। এইবিধ যতন এতিয়া আমাৰ আটাইৰে বাবে এক এৰাব নোৱাৰা সংগীৰ দৰেই হৈ পৰিছে, নহয়নে? আহাচোন, আজি আমি এই যন্ত্ৰবিধৰ বিষয়েই কিছু কথা পাতো।

যিমানেই দিনবোৰ পাৰ হৈ গৈ আছে, সিমানেই এই ম'বাইল ফোনবোৰো ক্ৰমাৎ আধুনিকৰপৰা অত্যাধুনিক পৰ্যায়লৈ আগুৱাই গৈয়েই আছে। বৰ্তমান বিশ্বৰ প্ৰতিটো প্ৰান্তত নিতৌ ভালেমান ম'বাইল ফোন ৰাইজৰ ব্যৱহাৰৰ বাবে বজাৰলৈ উলিয়াই দিয়া হৈছে। প্ৰযুক্তিগত উৎকৰ্ষ সাধনৰ ফলত এতিয়া সমস্ত বিশ্বৰ খবৰ তোমাৰ হাতৰ তলুৱাত থকা এই কণমানি যন্ত্ৰবিধেই তোমাক যোগান ধৰিব পাৰে। এক কথাত ক'বলৈ হ'লে এই ম'বাইল ফোনবোৰ একোটাহঁত সৰু পৰ্দাৰ কম্পিউটাৰ। অসংখ্যাত 'এপ্লিকেচন' অথবা এপ্‌বোৰৰ মাধ্যমেৰে তুমি টিলিকতে ভালেমান কাম কৰি উঠিব পাৰা। দেশ-বিদেশৰ প্ৰাত্যহিক খা-খবৰবোৰৰ লগতে উদ্ভিদজগত, জীৱজগতৰ মনে বিচৰা খবৰ আদি মুহূৰ্তৰ ভিতৰতে তুমি এই ম'বাইলযোগে পাই যাবা পাৰা। পাঠ্যক্ৰমৰ বিভিন্ন খা-খবৰৰ লগতে নতুন নতুন অলেখ বিষয়বস্তুও এইবিধ আহিলাই তোমাক যোগান ধৰিব পাৰে।

দৃশ্য-শ্ৰাব্য মাধ্যমৰ নানানটা উপকৰণ এইবিধ যন্ত্ৰই তোমাক অতি সহজেই গোটাই দিয়ে। মন পছন্দৰ গান, নাটক, চলচ্চিত্ৰ আদি শুনা/চাবলৈ পোৱাটো এতিয়া তেনেই সহজ হৈ পৰিল। এতিয়া কথা হ'ল, এই ইমানবোৰ সা-সুবিধাৰ যোগান ধৰা এইবিধ যতনৰ সদ্ব্যৱহাৰ তুমি কিদৰে কৰিবা? প্ৰয়োজনে অপ্ৰয়োজনে ইজনে সিজনৰ লগত অনাহক কথাৰ মহলা মাৰি থকাটো যিদৰে ভাল নহয়, ঠিক সেইদৰে, সুবিধা আছে বুলিয়েই হোৱা-নোহোৱাই ভিডিঅ' ছবি আদি চাই থকাটোও অনুচিত। গান শুনিবলৈ কাণত সুমুৱাই ল'ব পৰা অকণি-অকণি ইয়েৰফোনবোৰো সঘনাই ব্যৱহাৰ নকৰিবা, কিয়নো ইয়াৰ ফলত তোমাৰ কাণৰ ভিতৰ ফালৰ পৰ্দাখনৰ বিস্তৰ ক্ষতিসাধন হ'ব পাৰে।

পুনৰ মৰমেৰে — **জিজ্ঞাস ককাইদেউ**

## আপুনি ধন বিচাৰে ............ কিয়?



**ধৰা** হ'ল, আপুনি বহু বেছি ধনী মানুহ হ'ব বিচাৰে। পুঁজিপতি হিচাপে আপুনি চূড়ান্ত শিখৰলৈ উঠি যাব বিচাৰে। কিন্তু এই যে আপুনি টকা বিচাৰে, কিহৰ বাবে বিচাৰে? টকা থাকিলে মানুহৰ হাতলৈ যি ক্ষমতা আহে তাকে বিচাৰে? নে সুখ, নিৰাপত্তা আৰু সন্মান এইবোৰ বিচাৰে? কিন্তু টকাৰপৰা ক্ষমতা, সুখ, নিৰাপত্তা বা সন্মান আহে বুলি আপোনাক কোনে ক'লে বাৰু? আপোনাৰ দেশৰ আটাইতকৈ ধনী মানুহজনক আপুনি প্ৰকৃততেই সন্মান কৰেনে? টকাই কেতিয়াও মানুহৰ জীৱনলৈ সুখ আৰু নিৰাপত্তা আনি দিব নোৱাৰে। বৰং বহুক্ষেত্ৰতেই অসুখ আৰু নিৰাপত্তাহীনতা বঢ়াইহে তোলে। ...... অৱশ্যে টকাৰ যে মূল্য নাই এই কথা ক'ব বিচৰা হোৱা নাই। টকাৰ মূল্য পূৰাপূৰিয়েই আছে। কিন্তু সেই মূল্য তেতিয়ালৈহে থাকিব, যেতিয়ালৈ আপোনাৰ মন আৰু চিন্তা জগতৰ উৎকৰ্ষ সাধনৰ চেষ্টা থাকিব, পৃথিৱীৰ কোনো লোকৰে অনিষ্ট আপুনি নকৰিব আৰু যি সত্য আৰু সৌন্দৰ্যই জীৱনক মহান কৰে, সেয়া সন্ধানৰ বাবেহে আপুনি ব্ৰতী হ'ব। টকাৰ প্ৰয়োজন সন্মান আৰু ক্ষমতা বৃদ্ধিৰ বাবে নহয়, আপোনাৰ প্ৰয়োজনীয় বস্তু ক্ৰয় কৰিবলৈ বা যিখিনি সৌন্দৰ্যই আপোনাক আকৃষ্ট কৰে, সেই সৌন্দৰ্য (শিল্প-কলা, সাহিত্য, যিকোনো সৃষ্টিশীল কাম বা ভ্ৰমণ আদি) লাভৰ বাবেহে টকাৰ প্ৰয়োজন।

*উৎস ঃ জীৱনত সফল হ'ব কেনেকৈ?*

**ৰামু ৰাজগড়**, নৱম শ্ৰেণী, সাতভনী জাতীয় বিদ্যালয়, তালাপ, তিনিচুকীয়া

## উৰণীয়া স্তন্যপায়ী

## বাদুলী



**দে**খিবলৈ চৰাই যেন লাগিলেও বাদুলী প্ৰাণীবিধ স্তন্যপায়ী প্ৰাণীৰ অন্তৰ্গত। ইহঁতৰ দেহত নোম থাকে। স্তন্যপায়ী প্ৰাণীৰ ভিতৰত একমাত্ৰ বাদুলীয়ে উৰিব পাৰে। ইহত উষ্ণৰক্তী প্ৰাণী। বাদুলীৰ বৈজ্ঞানিক নাম plecotos auritus। বাদুলীৰ অসংখ্য প্ৰজাতি পোৱা যায়। এইবোৰ ১৪টা গোত্ৰৰ অন্তৰ্ভুক্ত হৈ আছে। পৃথিৱীৰ গ্ৰীষ্মপ্ৰধান অঞ্চল আৰু শীত প্ৰধান অঞ্চল উভয়তে বাদুলী পোৱা যায়। কিছুমান বাদুলী শিয়ালৰ দৰে দেখি আৰু কিছুমান দৈত্যাকৃতিৰ মুখ। (যেনে নক্টুল) বাদুলীৰ ডেউকাৰ হাড়বোৰ দেখিবলৈ মানুহৰ বাহু আৰু হাতৰ দৰে। কিন্তু আভ্যন্তৰীণ 'আঙুলি'ৰ হাড় আৰু সিহঁতৰ দেহৰ মাজৰ চালবোৰ বহল আৰু টান হৈ লাগি নাথাকে। ইহঁতৰ পাখিৰ গঠনটো চিলা বা পেৰাছুটৰ দৰেই বুলি ক'ব পাৰি। যিয়ে ইহঁতক উৰিবলৈ সহায় কৰে। বাদুলী থকা ঠাইক ৰুষ্ট (Roost) বোলা হয়। ইহতে চৰাইৰ দৰে বাহ নাসাজে আৰু সাপৰ দৰে গাঁতো নাখান্দে। ইহঁত নিশাচৰ প্ৰাণী। দিনৰ ভাগত গছৰ ডালত ওলমি থাকে বা গুহাত থাকে। বাদুলীৰ শ্ৰৱণ শক্তি তাৎপৰ্যপূৰ্ণ। বাদুলীয়ে অতিশব্দৰ প্ৰয়োগ কৰি লক্ষ্যস্থান বা চিকাৰ সংগ্ৰহ কৰি ল'ব পাৰে। উৰি থাকোতে ইহঁতে মুখেৰে ডাঙৰ ডাঙৰ শব্দ কৰি চিঞৰি দিয়ে। এই শব্দবোৰ লক্ষ্যবস্তত পৰি প্ৰতিধ্বনিত হয় আৰু তাৰ আধাৰত ইহঁতে লক্ষ্যবস্তু চিনাক্ত কৰি ল'ব পাৰে। যাক 'ইক'লোকেচন' বোলা হয়।

## শব্দ-শৃংখল ২২

| | | | | | | |
|---|---|---|---|---|---|---|
| ১ | ■ | ২ | ■ | ৩ | | ৪ |
| | ■ | ৫ | | | ■ | ■ |
| ৬ | ৭ | | ■ | ৮ | ৯ | |
| ■ | | ■ | ■ | ■ | | ■ |
| ১০ | | ১১ | ■ | ১২ | | |
| ■ | ■ | ১৩ | | | ■ | |
| | | | ■ | ১৪ | ■ | |

**থিয়কৈ**

২। দৃষ্টি।(৩)
৩। অদৃশ্য, গুপ্ত।(৩)
৪। বিশ্বৰ সমুদায় সৃষ্ট বস্তু।(৩)
৭। ৰেচ লৈ কৰা কাম। (৩)
৯। সজাগ।(৩)
১০। 'স্পৰ্শ' শব্দৰ কোমল ৰূপ।(৩)
১১। খোৱা বস্তু।(৩)
১২। এবিধ কাঁইটীয়া মাছ।(৩)

**পথালিকৈ**

১। নিকা; নিৰ্মল।(৩)
৫। জাকৈ।(৩)
৬। নিয়ম; নীতি।(৩)
৮। বস্তি।(৩)
১০। গড়খাৰৈ।(৩)
১২। কঠুৱা।(৩)
১৩। আপত্তি।(৩)
১৪। উগ্ৰ; বৰ চোকা।(৩)

### শব্দ-শৃংখল -২১ ঃ উত্তৰ

| | | | | | | |
|---|---|---|---|---|---|---|
| প্ৰ | ■ | স | ■ | পা | নী | য় |
| চা | ■ | গ | ৰ্বি | ত | ■ | ■ |
| ৰ | গ | ৰ | ■ | ল | তি | কা |
| ■ | স্থী | ■ | ■ | ■ | মি | ■ |
| ক | ন | ক | ■ | ধ | ৰ | ম |
| ■ | ■ | ঠু | ক | নি | ■ | জি |
| ম | লু | ৱা | ■ | য়া | ■ | য়া |

## মহৎ লোকৰ বাণী

- "এজন বিশ্বাসী বন্ধু হৈছে জীৱনৰ মহৌষধ।"
  — **টিৰুৰুক কুৰাল।**
- "তুমি ঈশ্বৰক ভাল পাব খোজানে? তেনেহ'লে প্ৰথমে মানুহক ভালপোৱা।"
  — **হজৰত মহম্মদ**
- "লোকৰ দোষ ধৰাটো বুদ্ধিমানৰ কাম, কিন্তু নিজক নিৰ্দোষী কৰাটো তাতোকৈ বুদ্ধিমানৰ কাম।"
  — **মহাত্মা গান্ধী।**
- 'ঘৰ সাজিবলৈ ওখ ভেটি কৰি ল'ব লাগে। সেইদৰে কথা প্ৰকাশ কৰাৰ আগতে মনত এবাৰ দকৈ চিন্তা কৰি লোৱা উচিত।
  — **ইভান বুনিন।**
- "শিশুৰ সৰলতা হেৰুৱাই নেপেলোৱাজনেই প্ৰকৃততে মহৎ লোক"।
  — **মেনছিয়াছ।**
- "আমি সামান্য কামকো ঘৃণা কৰা উচিত নহয়। যি মানুহে অতি সৰু কাম কৰে তেওঁ ডাঙৰ কাম কৰাজনতকৈ অলপো সৰু নহয়। কৰ্তব্যৰ ধৰণ দেখি নহয়, কৰ্তব্য সাধনৰ ধৰণ দেখিহে মানুহক বিচাৰ কৰিব লাগে।"
  — **স্বামী বিবেকানন্দ।**

**সংগ্ৰাহিকা ঃ ডিম্পী কোচ**
দশম শ্ৰেণী, মৰিগাঁও জাতীয় বিদ্যালয়

## আবৃত্তি কৰোঁ আহাঁ

## কুম্পূৰ সপোন ঃ ভূত-পোৱালি

কবিঃ জ্যোতিপ্ৰসাদ আগৰৱালা

মা, মই সপোনত
দেখিলো দুটা
ভূতৰ পোৱালি
আৰু দুজনী
নাক জিলিকা
চকু টেলেকা
টিলিকা টিলিকা
পিলিকা পিলিকা
যখিনী ছোৱালী
এটা ক'লা এটা বগা
নাঙঠ-পিঙঠ ভূত
কথা পাতে
টাকুট্ ধাকুট্ কুট্,
এটাই ক'লে, পুট্ পুট্ পুট্,
ইটোৱে মা নাক জোকাৰি
ক'লে, ধুৎ ধুৎ!
মা, দেখিবলৈ এনে ভাল
ভূত-পোৱালিৰ নাচ,
কিবা-কিবি গান গায় ফুচ্ ফুচ্ ফাচ্,
মনে মনে কাম কৰে খুচ্ খাচ্ খাচ্
এংকোৰ বেংকোৰ কৰি যায় লৰি লৰি,
যখিনীহঁতক নচুৱাই
চুলিত ধৰি ধৰি
যখিনীহঁতে নেপেলালে একেলগে ভৰি।
চৰ খোৱা যখিনীয়ে
নাচে কঁকাল ভাঙি,
কোটোক্ কোটোক্ ঘোঁটক্ কৰি
ভূত-পোৱালি জাঁপ মাৰি
ভেঙুৰা-ভেঙুৰিকৈ নাচে
ঠেংটো ভাঙি ভাঙি।
মা, তইযে কৱ,
ভূতে বোলে ল'ৰা ধৰি খায়,
পুখুৰীলৈ নি
ভৰিকিটা ওপৰ কৰি
গুঁজি গুঁজি মূৰটো হোনো, এহাত বোকাত
সুমুৱায়;
ক'তা মা, মোক দেখোন
সিহঁত দুটাই একোকে কৰা নাই?
ক'তা মোৰ ওচৰ চাপিবলৈ
সিহঁতে দেখোন অলপকেই
সাহেই কৰা নাই?
ভয় কৰা ল'ৰাকহে মা, ভূতে ধৰি কিলায়।
মা, মোৰ হ'লে ভূতলৈ ভয় নাই।
যখিনীৰে হাতত ধৰি
সিহঁত আছিল ঘূৰি,
দুয়োটাৰে কাণ দুখন দিলো মুচৰি,
দীঘল কাণত মুচৰি, মা,
লাগে বৰ ভাল;
সিহঁত দুটাই চিঞৰ শোধাই
লগায় তাল-ফাল।
বিচাৰি ফুৰা ভূত-পোৱালি
মা, যেতিয়া পালো,
এৰা-এৰি নাই,
পুতলা থকা আলমাৰিটোত
আনি থ'লো সুমুৱাই।
তাৰ পিছত তই মাতোঁতে
উঠিলো সাৰ পাই;
মা, মোৰ হ'লে অকণমানো
ভূতলৈ ভয় নাই।



## ভাল পাওঁ

ভাল পাওঁ
ওপজা গাঁওখনি
মা-দেউতা ওচৰ-চুবুৰীয়া,
মিলা-প্ৰীতিৰে থাকি।
ভাল পাওঁ এলাহ ভাগৰ থ'ই
কৰ্মত ব্যস্ত হ'ই
গাঁওখনক স্বাৱলম্বী কৰিব।
ভাল পাওঁ লেখা-পঢ়া শিকি
জ্ঞানী মানুহ হ'ই
নিজ গাঁওখনিক
ধনে ধানে উন্নত কৰিব।।

**প্ৰজ্ঞা ডেকা**, দৰং

## মহৎ লোকৰ সময়ৰ সদ্ব্যৱহাৰ

- বীচাৰ ফাউচে তেওঁৰ ইংলেণ্ড নামৰ কিতাপখন ডিনাৰ খাবলৈ যোৱা সময়খিনিতে লিখি উলিয়াইছিল।
- ডাঃ মেছন শুভে লণ্ডনলৈ ৰোগী চাবলৈ ঘোঁৰাত উঠি যোৱা সময়ত লুক্ৰেটিয়াছ নামৰ কিতাপখন অনুবাদ কৰি উলিয়াইছিল।
- ডাঃ বাৰ্ণীয়ে ঘোঁৰাৰ ওপৰত উঠি ফুৰা সময়খিনিতে ফৰাচী আৰু ইটালী ভাষা শিকিছিল।
- কবি পোপে নিশা বিছনাৰ পৰা উঠিও মনলৈ অহা ভাব টুকি ৰাখিছিল।

**সংগ্ৰাহিকা ঃ প্ৰীতিষা শৰ্মা**

## পঞ্চতন্ত্ৰৰ সাধু

# অতি লোভৰ ফল



পুৰণি কালত এজন ব্যাধে অৰণ্যৰ ওচৰৰ এখন গাঁৱত বাস কৰিছিল। তেওঁৰ মূল জীৱিকা আছিল চিকাৰ। এদিন তেওঁ চিকাৰ কৰিবলৈ যাওঁতে এটা শৰ পহু দেখা পাইছিল। পহুটোক দেখাৰ লগে লগে ব্যাধে তাক শৰেৰে আঘাত কৰি বধ কৰিছিল। ডাঙৰ পহু এটা মাৰিব পাৰি ব্যাধে আনন্দত আত্মহাৰা হৈ পৰিছিল। পহুটোৰ ওচৰলৈ গৈ ব্যাধে তাৰ ঠেং কেইখন লতা আদিৰে বান্ধি থাকোতে অকস্মাৎ অৰণ্যৰ মাজৰ পৰা এটা প্ৰকাণ্ড দঁতাল গাহৰি ব্যাধক লক্ষ্য কৰি খেদি আহিছিল। ব্যাধে ততালিকে গাহৰিটোক শৰেৰে আঘাত কৰিছিল যদিও গাহৰিটোৱে ব্যাধক প্ৰচণ্ড জোৰেৰে খুন্দা মাৰিছিল। সেই আক্ৰমণত ব্যাধৰ মৃত্যু ঘটিছিল। আনহাতে শৰৰ আঘাতত গাহৰিটোৰো মৃত্যু ঘটিছিল। ব্যাধ আৰু গাহৰি দুয়োৰে গচকত এডাল সাপো মৃত্যুমুখত পৰিছিল।

কিছু সময়ৰ পিছত এটা শিয়ালে সেইফালেদি অনাই বনাই আহি আছিল। একেলগে সি ইমানবোৰ আহাৰ দেখি আনন্দত উত্ৰাৱল হৈ পৰিছিল। সি মনতে ভাবিছিল যে মানুহজন তাৰ এমাহৰ আহাৰ হ'ব, হৰিণটো দুমাহৰ আহাৰ হ'ব, গাহৰিটো তিনিমাহৰ আৰু সাপটো তাৰ এদিনৰ আহাৰ হ'ব। তাৰ জিভা পানীৰে উপচি পৰিছিল। সি বহুত দিনলৈকে অলপ অলপ খাই থাকিব পাৰিব। কথাতে কয় যে, বুদ্ধিমান লোকে নিজৰ অৰ্জনৰ ধন ঔষধৰ দৰে অলপ অলপকৈ খৰচ কৰে। কেতিয়াও অপচয় নকৰে।

শিয়ালটোয়ে ভাবিলে প্ৰথমতে সৰু বস্তু ধনুৰ গুণডালকে খোৱা যাওক। ইয়াকে ভাবি শিয়ালটোৱে ব্যাধৰ ধনুখনৰ গুণত কামোৰ মাৰিলে। লগে লগে গুণডাল ছিঙি গৈ ধনুখনৰ এটা মুৰ শিয়ালৰ বুকুৰে-পিঠিয়ে শালি পেলালে। ফলত শিয়ালটোৰ ততালিকে মৃত্যু ঘটিছিল। অধিক সঞ্চয়ৰ কথা চিন্তা কৰি আৰু লোভত পৰি শিয়ালটোয়ে এনেদৰে মৃত্যু মুখত পৰিছিল।

*সংগ্ৰাহক ঃ অনুৰূপা কলিতা,* বঙাইগাঁও।

## প্ৰকৃতিৰ খেতিয়ক লাইকেন



**উ**দ্ভিদ জগতখনৰ এক আচৰিত ধৰণৰ উদ্ভিদ হ'ল লাইকেন Lichen। এইবিধ উদ্ভিদ হৈছে যিকোনো প্ৰতিকূল পৰিৱেশত জীয়াই থাকিব পৰা বিশেষ ক্ষমতাসম্পন্ন। লাইকেন একধৰণৰ সহজীৱী উদ্ভিদ। লাইকেনত এবিধ ভেঁকুৰ আৰু এবিধ শেলাই পৰস্পৰ নিৰ্ভৰশীল হৈ থাকে। প্ৰকৃতি তথা মানৱজাতিলৈ লাইকেনৰ অৱদান অশেষ। লাইকেন নিঃসৃত বিশেষ এক পদাৰ্থই শিল গুড়ি কৰি মাটি সৃষ্টিত অৰিহণা যোগায়। ফলত শিলাময় অঞ্চলত লাইকেনৰ উপস্থিতিত অন্য উদ্ভিদ গজাত সহায়ক হয়। সেয়ে ইয়াক 'প্ৰকৃতিৰ খেতিয়ক' (Farmer of nature) আখ্যা দিয়া হৈছে। বজাৰত 'আইছলেণ্ড মাছ' নামে পৰিচিত লাইকেনবিধ খাদ্য হিচাপে যোগান ধৰা হয়। ইয়াক আমদানি কৰা হয় ছুইডেন, নৰৱে আৰু আইছলেণ্ডৰ পৰা। শ্বাসকষ্টত ভোগা ৰোগীসকলৰ বাবে এই খাদ্যবিধে ঔষধৰ কাম কৰে। তদুপৰি কলেৰা, মৃগী, জ্বৰ, জলাতংক, হুপিং কাহ, জণ্ডিছ আদিৰ নিৰাময়ক হিচাপেও ব্যৱহাৰ কৰা হয় লাইকেন। গৰু-মহ, শীত অঞ্চলত বল্গা হৰিণৰ খাদ্যৰ উপৰি লাইকেনক ৰং আৰু সুগন্ধি তৈয়াৰ কৰাতো ব্যৱহাৰ কৰা হয়।

# দশম শ্ৰেণী — পাঠভিত্তিক আলোচনা

## বৰগীত ঃ শ্ৰীশ্ৰীমাধৱদেৱ

কৰিছিল। গুৰু দুজনাৰ দ্বাৰা ৰচিত এই গীতসমূহক পাছলৈ 'বৰগীত' নামেৰে অভিহিত কৰা হয়।

প্ৰকৃততে বৰগীত কি, কোনে ৰচনা কৰিছিল আৰু বৰগীতৰ বিশেষত্ব সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকল জ্ঞাত হোৱাৰ লগতে বৈষ্ণৱ ধৰ্মৰ উপাস্য দেৱতা শ্ৰীকৃষ্ণৰ অপাৰ মহিমা সম্পৰ্কেও এই বৰগীতটিৰ জৰিয়তে জ্ঞান লাভ কৰাৰ উপৰি এই মায়াৰ সংসাৰত আতুৰ হৈ কষ্ট পোৱা মানুহে তেওঁৰ চৰণ কমলত আশ্ৰয় লৈ সেই কষ্টৰ পৰা কেনেকৈ মুক্তিলাভ কৰিব পাৰে তেনে আধ্যাত্মিক ভাৱৰো জ্ঞান লাভ কৰিব পাৰিব বুলি এই বৰগীতটি পাঠ্যক্ৰমত সন্নিৱিষ্ট কৰা হৈছে।

কবি পৰিচয় ঃ

শ্ৰীশ্ৰীমাধৱদেৱ ঃ নৱবৈষ্ণৱ ধৰ্মৰ অন্যতম প্ৰৱৰ্তক তথা মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱৰ অতি প্ৰিয় শিষ্য মাধৱদেৱৰ জন্ম হয় উত্তৰ লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ লেটেকুপুখুৰীত ১৪৮৯ চনত। পিতৃৰ নাম গোবিন্দগিৰি ভূঞা আৰু মাতৃৰ নাম মনোৰমা। প্ৰথম অৱস্থাত মাধৱদেৱ আছিল শাক্তপন্থী। পিছত ঘটনাক্ৰমে শংকৰ গুৰুৰ লগত তেওঁৰ লগালগি হয় আৰু দুয়োৰে মাজত হোৱা ধৰ্মীয় তৰ্কযুদ্ধত মাধৱদেৱ হাৰে আৰু বৈষ্ণৱধৰ্মৰ প্ৰকৃত তত্ত্ব বুজি শংকৰদেৱৰ ওচৰত শৰণ লয় আৰু গুৰুজনাৰ প্ৰধান আৰু অতি প্ৰিয়শিষ্য হৈ পৰে। তেওঁ গুৰুজনাৰ নিৰ্দেশক্ৰমে একাণপতীয়াভাৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে গীত, নাট, ভটিমা, বিভিন্ন পদপুথি ৰচনা কৰে। তেওঁ ৰাজসূয় যজ্ঞ, দধিমথন, চোৰধৰা, পিম্পৰা গুচোৱা, ভোজন বেহাৰ, অৰ্জুন ভঞ্জন, ভূমি লেটোৱা, জন্ম ৰহস্য, গুৰু ভটিমা আদি গ্ৰন্থ ৰচনা কৰিছিল। ধৰ্ম-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত বিশিষ্ট অৱদান আগবঢ়াই কোচবিহাৰৰ ভেলামধুপুৰত ১৫৯৬ চনত তেওঁ ইহলীলা সম্বৰণ কৰে।

মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ 'নামঘোষা'। এহেজাৰটা ঘোষা থকা বাবে নামঘোষাক 'হেজাৰী ঘোষা' বুলিও কয়।

২) বৰগীতৰ মূলভাৱ ঃ

সংসাৰখন এখন মায়াৰ জাল। যেতিয়া এই মায়াৰ সংসাৰত লোভ, মোহত বান্ধ খাই তাৰ পৰা পৰিত্ৰাণ পাব পৰা নাছিল, ভগৱানকে বান্ধৱ বুলি সম্বোধন কৰি মহাপুৰুষ মাধৱদেৱে কাতৰ হৈ ভগৱানৰ চৰণত স্থান দিবলৈ প্ৰাৰ্থনা কৰিছে। মহাপুৰুষজনাৰ এই বৰগীতটিত উচ্চ মানবিশিষ্ট সাৱলীল ভাষাৰ স্তুতিমূলক তথা শাস্ত্ৰীয় ৰাগযুক্ত আৰু ভাৱ-গধুৰ আধ্যাত্মিক ভাৱৰ প্ৰকাশ হৈছে।

মহাপুৰুষজনাৰ মতে, ব্ৰহ্মা, হৰ আদি শ্ৰেষ্ঠ দেৱতাসকল আৰু মহান ঋষি-মুনিসকলেও ধ্যান কৰি বা কঠোৰ সাধনা কৰিও ভগৱানৰ মহিমা ধৰিব নোৱাৰে। মহাপুৰুষজনাই নিজকে অধম, অজ্ঞানী অৰ্থাৎ সাধাৰণ লোকৰ লগত তুলনা কৰি ভগৱানৰ অপাৰ মহিমা ধৰিব পৰাটো অসম্ভৱ বুলি কৈছে।

ভগৱান এই বিশ্ব ব্ৰহ্মাণ্ডৰ সকলোতে বিৰাজমান। তেওঁৰ নিৰ্দেশতেই গোটেই বিশ্ব ব্ৰহ্মাণ্ড চলি আছে। ভগৱানৰ চৰণযুগলেই হ'ল মহাপুৰুষজনাৰ শ্ৰেষ্ঠ সম্পদ। ভগৱান সদায় ভক্তৰ অধীন আৰু ভক্তৰ হৃদয়তে ভগৱানৰ স্থান। একান্ত ভকতৰ জীৱন ভগৱানৰ অবিহনে সকলো বৃথা।

শেষত এই মায়াময় সংসাৰখনৰ পৰা উদ্ধাৰ পাবৰ বাবে ভগৱানৰ চৰণত শৰণাপন্ন হৈ কাতৰে গুৰুজনাই প্ৰাৰ্থনা কৰিছে যে 'হে নাৰায়ণ, এই মায়া-মোহেৰে আৱৰি থকা পৃথিৱীৰ পৰা মোক উদ্ধাৰ কৰা, মই সদায় তোমাৰ চৰণত সেৱা কৰি দাসৰো দাস হৈ থাকিম।'

প্ৰশ্ন ঃ বৰগীত কাক বোলে? বৰগীতৰ লক্ষণ বা বৈশিষ্ট্য কি কি?

উত্তৰ ঃ মহাপুৰুষ শংকৰ-মাধৱে লিখা গীতসমূহৰ কিছুমান বৈশিষ্ট্য থকা কাৰণে পিছৰ ভক্তসকলে সেই গীতসমূহক বৰগীত নামেৰে নামকৰণ কৰিছিল। সেই বৈশিষ্ট্যসমূহ হ'ল —

ক) বৰগীতৰ ভাষা ব্ৰজাৱলী।

খ) বৰগীতসমূহ শাস্ত্ৰীয় ৰাগ-তালযুক্ত।

গ) বৰগীতসমূহ ঈশ্বৰৰ মাহাত্ম্য প্ৰকাশক।

ঘ) বৰগীতসমূহ মূলতঃ ভক্তিৰস প্ৰধান যদিও তাত দাস্য, শান্ত, বাৎসল্য আদি ৰসৰো সমাবেশ ঘটিছে।

ঙ) বৰগীতসমূহ ভক্তি সাধনৰ চৈধ্য প্ৰসংগৰ ভিতৰুৱা।

চ) সংখ্যাৰ সীমাবদ্ধতাও ইয়াৰ এক বৈশিষ্ট্য।

ছ) মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে নামধৰ্ম প্ৰচাৰৰ কাৰণে যিবোৰ গীত ৰচনা কৰিছিল সেইবোৰ আধ্যাত্মিক ভাৱৰ।

প্ৰশ্ন ঃ ব্ৰজাৱলী ভাষাৰ বৈশিষ্ট্যসমূহ লিখা।

উত্তৰ ঃ (ক) ব্ৰজাৱলী ভাষা একপ্ৰকাৰ কৃত্ৰিম সাহিত্যিক ভাষা।

খ) ব্ৰজাৱলী ভাষাৰ মূল ভেটি মৈথিলী।

গ) মৈথিলীৰ লগতে ভোজপুৰী, নেৱাৰী আৰু কাষৰীয়া অঞ্চলৰ আন ভাষাৰ সংমিশ্ৰণেৰে ই ঠাই বিশেষ একোটা স্বতন্ত্ৰৰূপ লাভ কৰে।

ঘ) শংকৰদেৱৰ সময়ত অসম, বংগ আৰু ওড়িশাত ভগৱান কৃষ্ণৰ লীলা বিষয়ক, গীত-পদত ব্ৰজাৱলী ভাষা ব্যৱহাৰ কৰা হৈছিল।

ঙ) ব্ৰজাৱলী ভাষাটো প্ৰচুৰ স্বৰধ্বনি প্ৰয়োগৰ বাবে শ্ৰুতিমধুৰ।

প্ৰশ্ন ঃ শংকৰদেৱ আৰু মাধৱদেৱ বিৰচিত গীতসমূহক কিয় বৰগীত বোলা হয়?

উত্তৰ ঃ বিষয়বস্তুৰ মহত্ত্ব, ৰচনাভংগীৰ সৌষ্ঠৱ আৰু শাস্ত্ৰীয় সুৰৰ গাম্ভীৰ্য, কল্পনাৰ সংযমে মহাপুৰুষ দুগৰাকীৰ গীতসমূহক সমসাময়িক আন গীতৰ পৰা পৃথক কৰিছিল আৰু সেইকাৰণে সাধাৰণ গীতৰ বিপৰীতে 'বৰগীত' বোলা হৈছিল। *(অহা সংখ্যাত)*

# নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ এক অনুষ্ঠান ঃ সত্ৰ

আউনীআটী সত্ৰ প্ৰথম শ্ৰেণী, দ্বিতীয়তে দক্ষিণপাট সত্ৰ, তৃতীয়তে গড়মূৰ সত্ৰ, চতুৰ্থতে কুৰুৱাবাহী সত্ৰ হয়।

ইতিহাস ঃ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম প্ৰচাৰৰ আদিকালতে সত্ৰৰ উৎপত্তি হোৱা বুলি ধাৰণা কৰা হয়। শঙ্কৰদেৱে তেওঁৰ জন্মস্থান বৰদোৱাত প্ৰথমখন সত্ৰ স্থাপন কৰিছিল। নতুনকৈ ধৰ্ম প্ৰচাৰ কৰা ঠাইত তেওঁ "প্ৰাৰ্থনা ঘৰ" (হৰি গৃহ) স্থাপন কৰিছিল যি পিছলৈ সাংস্কৃতিক কেন্দ্ৰৰ ৰূপ লয়। ইয়াক "থান" (সংস্কৃত- স্থান) বুলি কোৱা হৈছিল। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ধৰ্ম প্ৰচাৰৰ বাবে যাত্ৰা কৰোতে তেওঁ ঠায়ে ঠায়ে থান স্থাপন কৰিছিল।

"সত্ৰ" শব্দটো প্ৰথমে "শতপথ ব্ৰাহ্মণ"ত "আহুতি" বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। ভাগৱত গীতাতো এই শব্দটো ভিন ভিন ঠাইত ব্যৱহাৰ কৰা হৈছে। কিন্তু অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ আমোলত ই এক বেলেগ অৰ্থ গ্ৰহণ কৰে। শঙ্কৰদেৱে ধৰ্ম প্ৰচাৰৰ বাবে কিছুকাল থকা স্থানসমূহেই "সত্ৰ" বুলি জনাজাত হয়। গুৰুজনাই বৰদোৱা বা বটদ্ৰৱাত স্থাপন কৰা সত্ৰখনেই প্ৰথম সত্ৰ। তাত তেওঁ এটা প্ৰাৰ্থনা ঘৰ সজায় য'ত নাম-কীৰ্তনৰ লগতে ধৰ্মীয় আলোচনাও হৈছিল। শঙ্কৰদেৱৰ পিছৰ যুগত তেওঁ বা আন আন গুৰুসকলে কিছুকাল থকা সত্ৰসমূহ যেনে বৰদোৱা, বেলগুৰি, বৰপেটা আদিক সত্ৰৰ সলনি "থান" বুলি কোৱা হ'ল। কোনো কোনো জীৱনীকাৰে অৱশ্যে "সত্ৰ" আৰু "থান"ৰ প্ৰভেদ নাৰাখে।

সত্ৰৰ পদসমূহ — সত্ৰাধিকাৰ আৰু তেওঁৰ সহকাৰীসকলে সত্ৰ এখনৰ কাম-কাজ পৰিচালনা কৰে। সত্ৰত তলত দিয়া সদস্যসকল থাকে। অধিকাৰ ঃ তেওঁ হৈছে সত্ৰৰ ধাৰ্মিক আৰু আধ্যাত্মিক দিশৰ মুৰব্বী। দীক্ষা গ্ৰহণৰ অনুষ্ঠান "শৰণ" আৰু "ভজন" তেওঁৰ প্ৰত্যক্ষ তত্ত্বাৱধানত অনুষ্ঠিত হয়। তেওঁক "সত্ৰীয়া" বা "মহন্ত" বুলিও কোৱা হয়।

ডেকা-অধিকাৰ ঃ সহমুৰব্বী। ক্ষমতা আৰু সন্মানৰ ক্ষেত্ৰত অধিকাৰৰ পিছতেই তেওঁৰ স্থান। অধিকাৰৰ মৃত্যু হ'লে বা অধিকাৰৰ অনুপস্থিতিত ডেকা-অধিকাৰেই সত্ৰৰ দায়িত্বভাৰ গ্ৰহণ কৰে।

ভকত ঃ যদিও যিকোনো ভক্তকে "ভকত" বুলি ক'ব পাৰি তথাপি সত্ৰৰ পৰিচালনাত সহযোগ কৰা বা সত্ৰৰ চৌহদতে বসবাস কৰা ভক্তসকলকহে "ভকত" বুলি কোৱা হয়। অবিবাহিত এই ভকতসকলক "কেৱলীয়া ভকত" বুলিও কোৱা হয়।

শিষ্য ঃ সত্ৰৰ আন আন ভক্তসকলক শিষ্য বুলি কোৱা হয়। অসমৰ বহুতো বৈষ্ণৱ পৰিয়ালৰ সত্ৰৰ প্ৰতি আনুগত্য থাকে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনুপম সৃষ্টি অংকীয়া নাট ভাওনা অসমৰ সৰ্বতোকালৰ সৰ্বোত্তম মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনুপম সৃষ্টি অংকীয়া নাট ভাওনা। শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা নাটসমূহক "অংকীয়া নাট" আখ্যা দিয়া হয়। মহাপুৰুষ দুজনাই তেওঁলোকে ৰচনা কৰা নাটসমূহক যাত্ৰা ঝুমুৰা হে বুলিছিল। পৰৱৰ্তী কালত কোনো কোনো বৈষ্ণৱ ভকতেহে ইয়াক অংকীয়া নাট বুলি নামকৰণ কৰে। ভাওনা শব্দৰ প্ৰকৃত অৰ্থ ভাও দি দেখুওৱা কাৰ্য। অংকীয়া নাটৰ অভিনয়কহে দৰাচলতে ভাওনা বোলা হয়। বৰ্তমান এনে নাটক ভাওনা বোলা হয় আৰু ৰচনা কাৰ্যক নাট-কটা বা নাট-লেখা বুলি কোৱা হয়।

লোক শিক্ষাৰ সহজ আৰু কাৰ্যকৰী উপায় হিচাপে গুৰুজনাই নাট্যাভিনয়ৰ পৰিকল্পনা কৰিছিল আৰু তৎকাৰ্যত সফলো হৈছিল। ভাওনাৰ লগত সম্বন্ধ নথকা, আগতে ভাওনা নেদেখা সমাজখনৰ লোকসকলক শিকাই-বুজাই, নিজে নাট কাটি, বাদ্যযন্ত্ৰ প্ৰস্তুত, আহাৰ্য ৰংবৰণকে আদি কৰি ভাওনা প্ৰদৰ্শনলৈকে যাৱতীয় কাম-কাজ শংকৰদেৱে নিজেই কৰিবলগীয়া হৈছিল। ভাওনাৰ আগদিনা এভাগ শৰাই-শলিতা দি মাহ-প্ৰসাদেৰে নামঘৰত প্ৰাৰ্থনা জনোৱা হয়। গায়ন-বায়ন, সূত্ৰধাৰ আৰু শ্ৰীকৃষ্ণৰ ভাও লোৱাসকলে আগদিনা উপবাসে থাকি পিছদিনা লঘু আহাৰ গ্ৰহণ কৰি দিনত ৰাইজৰ নাম-কীৰ্তনত অংশগ্ৰহণ কৰি নামৰ পিছত আশীৰ্বাদ গ্ৰহণ কৰে। ভাওনাৰ দিনা সত্ৰ বা ৰাজহুৱা নামঘৰত এটি পবিত্ৰ অনুষ্ঠানৰূপে পালন কৰা হয়। বৰ্ণনা - শংকৰদেৱে তেৰাৰ নাটত নাট, নাটক আৰু যাত্ৰা শব্দহে ব্যৱহাৰ কৰিছে। মাধৱদেৱৰ নাটত ঝুমুৰা, যাত্ৰা আদি শব্দ ব্যৱহাৰ হৈছিল। সুখ-দুখৰ উৎপত্তি দেখুওৱা আৰু শৃংগাৰ আদি ৰসৰ পৰিপূৰ্ণতাই নাটৰ বিষয়বস্তু যদিও সাত্বিক অভিনয়হে মূল কথা। 'অংক' বা 'অংকীয়া নাট' বুলি পিছত চৰিতকাৰসকলেহে ব্যৱহাৰ কৰিছে। নাটৰ বিভিন্ন বিভাগবোৰক 'অংক' বোলা হয়।

ভৰত মুনিৰ মতে ৰূপক দহবিধ আৰু উপৰূপক ওঠৰবিধ। ৰূপকৰ অংক বা উৎসৃষ্টিকাংক আৰু উপৰূপকৰ হল্লীসৰ লগত অংকীয়া নাটৰ কিছু সাদৃশ্য আছে। কিন্তু মূল লক্ষণবোৰৰ ক্ষেত্ৰত যথেষ্ট অমিলো আছে। অংকীয়া নাটক এক অংক বিশিষ্ট নাট বোলা হয়। ভাওনা হ'ল নাট, নৃত্য আৰু নৃত্যৰ সমাহাৰ। নৃত্য আৰু নৃত্য হ'ল মূকাভিনয় কিন্তু শ্লোক, বচন, গীত, পয়ৰবিলাকৰ লগে লগে নৃত্য বা নাচৰ চাল-চলন, মুদ্ৰা আদিও থাকে। ভাওনাৰ শ্লোক, অপিচ আৰু সূত্ৰধাৰৰ বচনৰ ওপৰত সম্পূৰ্ণ পৰিচালনাৰ ভাৰ সূত্ৰধাৰৰে। গীত-পদ-ৰাগ-তালৰ কৰ্তব্যখিনি গায়ন-বায়নৰ ওপৰত নিৰ্ভৰ কৰে। গীত-মাতত মহিলা, ঋষি-মুনিসকলৰ প্ৰৱেশ হয়। ভাৱৰীয়া প্ৰৱেশত সূত্ৰধাৰ, কৃষ্ণ বা ৰামৰ, ৰজা-মহাৰজা, মন্ত্ৰী-যুৱৰাজ, সৈন্যসকলৰ, অসুৰসকলৰ, ৰাক্ষস-ৰাক্ষসীসকলৰ আৰু দূতৰ প্ৰৱেশ-প্ৰস্থানত খোলৰ ছেও বেলেগ বেলেগ। ভাওনাৰ আৰম্ভণিতে গায়ন-বায়নৰ জোৰাগোৰা পৰ্বটো অতি গুৰুত্বপূৰ্ণ।

সত্যপ্ৰসাদ বৰুৱা — নাট্য প্ৰভাকৰ।

## অষ্টম শ্ৰেণী — পাঠভিত্তিক আলোচনা

# ভাৰতত ইংৰাজ শাসনৰ প্ৰতিষ্ঠা, সম্প্ৰসাৰণ আৰু দৃঢ়ীকৰণ

১ পৃষ্ঠাৰ পৰা

চন্দননগৰ। ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানী আৰু ফৰাচী ইষ্ট ইণ্ডিয়া কোম্পানীয়ে লাহে লাহে মোগল সাম্ৰাজ্য আৰু আন আন দেশীয় ৰাজ্যবোৰৰ দুৰ্বলতাৰ বিষয়ে বুজি উঠিছিল আৰু দুয়োটা কোম্পানীয়ে ভাৰতত নিজৰ নিজৰ একোখন সাম্ৰাজ্য গঢ়ি তোলাৰ সপোন দেখিছিল। এই অধ্যায়ৰ লগত সংগতি ৰাখি কেইটামান প্ৰশ্নোত্তৰ আগবঢ়ালো।

**প্ৰশ্নোত্তৰ**

ক) ইংৰাজ আৰু ফৰাচীৰ মাজত কিহৰ বাবে প্ৰতিদ্বন্দ্বিতা হৈছিল?

উত্তৰ ঃ ইংৰাজ আৰু ফৰাচীৰ মাজত ভাৰতত ৰাজনৈতিক আধিপত্য বিস্তাৰ কৰি নিজৰ নিজৰ একোখন সাম্ৰাজ্য গঢ়ি তোলাৰ বাবে প্ৰতিদ্বন্দ্বিতা হৈছিল।

খ) প্ৰথম আৰু দ্বিতীয় কৰ্ণাটক যুদ্ধৰ সময়ত ফৰাচীসকলৰ গৱৰ্ণৰ কোন আছিল?

উত্তৰ ঃ ফৰাচীসকলৰ গৱৰ্ণৰ আছিল যোচেফ ফ্ৰান্সিচ ডুপ্লে।

গ) চিৰাজ উদ্দৌল্লাৰ প্ৰধান সেনাপতি কোন আছিল?

উত্তৰ ঃ প্ৰধান সেনাপতি মিৰ্জাফৰ আছিল।

ঘ) বংগৰ প্ৰথম গৱৰ্ণৰ জেনেৰেল কোন আছিল?

উত্তৰ ঃ লৰ্ড কৰ্ণৱালিছ বংগৰ প্ৰথম গৱৰ্ণৰ জেনেৰেল আছিল।

ঙ) কোনে স্বত্ববিলোপ নীতি উদ্ভাৱন কৰিছিল?

উত্তৰ ঃ ইষ্ট ইণ্ডিয়া কোম্পানীৰ বোৰ্ড অব্ ডাইৰেক্টৰসকলে।

চ) চিৰস্থায়ী বন্দৱস্তৰ ব্যৱস্থাটো কোনে উলিয়াইছিল?

উত্তৰ ঃ গৱৰ্ণৰ জেনেৰেল লৰ্ড কৰ্ণৱালিছে।

ছ) 'ৰেগুলেটিং এক্ট' আইনখন কিয় প্ৰণয়ন কৰিছিল?

উত্তৰ ঃ ভাৰতত ইংৰাজ কোম্পানীৰ শাসন সুদৃঢ় কৰাৰ বাবে ব্ৰিটিছ চৰকাৰে ৰেগুলেটিং এক্ট প্ৰণয়ন কৰিছিল।

জ) পলাচী যুদ্ধ ক'ত আৰু কাৰ কাৰ মাজত হৈছিল?

উত্তৰ ঃ ভাগীৰথী নদীৰ পাৰত পলাচী নামৰ ঠাইত নবাব চিৰাজ উদ্দৌল্লাৰ সৈন্যৰ লগত ইংৰাজৰ যুদ্ধ হৈছিল।

ঝ) কোনে আৰ্কট (কৰ্ণাটক) অভিযান চলাইছিল?

উত্তৰ ঃ ৰবাৰ্ট ক্লাইবে আৰ্কট অভিযান চলাইছিল।

ঞ) চন্দন নগৰ কাৰ অধিকৃত ঠাই আছিল?

উত্তৰ ঃ ফৰাচীসকলৰ অধিকৃত ঠাই আছিল।

ট) বান্দিৱাচৰ যুদ্ধত ইংৰাজ আৰু ফৰাচীৰ কোন কোন সেনাপতি আছিল?

উত্তৰ ঃ ইংৰাজ সেনাপতি ছাৰ আয়াৰ কূট আৰু ফৰাচী সেনাপতি-লালি আৰু বুচী।

ঠ) পলাচী যুদ্ধত কোন দুজন সোনপতিয়ে নবাবৰ হৈ পৰাক্ৰমেৰে যুঁজ দিছিল?

উত্তৰ ঃ মীৰমদন আৰু মোহনলাল।

ন) ভাৰতত আধুনিক যুগৰ সূচনা কেতিয়া হৈছিল?

উত্তৰ ঃ পলাচী যুদ্ধৰ পৰাই মধ্যযুগৰ সমাপ্তি ঘটি আধুনিক যুগৰ সূচনা হৈছিল।

ত) লৰ্ড ডেলহাউচিয়ে স্বত্ববিলোপ নীতি প্ৰয়োগ কৰি কোন কেইখন ৰাজ্য কোম্পানীৰ শাসনাধীন কৰিছিল?

উত্তৰ ঃ নন্দতী, ক'লৰা, চাতাৰা, সম্বলপুৰ এই ৰাজ্যকেইখন কোম্পানীৰ শাসনাধীন কৰিছিল।

থ) ইষ্ট ইণ্ডিয়া কোম্পানীৰ কোনবোৰ কাৰ্যকলাপে চিৰাজ উদ্দৌল্লাক অসন্তুষ্ট কৰিছিল?

উত্তৰ ঃ ইংৰাজ আৰু ফৰাচীসকলে বংগদেশত সামৰিক দুৰ্গ নিৰ্মাণ কৰা কাৰ্যত নবাবে বন্ধ কৰিবলৈ আদেশ দিছিল। কিন্তু ইংৰাজে আদেশ নামানিলে। আনহাতে, ইংৰাজসকলে বংগদেশত বেহা-বেপাৰ কৰিবলৈ দিয়া সুবিধাৰো অপব্যৱহাৰ কৰিছিল। ইংৰাজসকলৰ নিজাকৈ ব্যৱসায় কৰাৰ বাবে নবাবে ৰাজহ নাপাইছিল। দেৱান কৃষ্ণদাসক নবাবৰ ইচ্ছাৰ বিৰুদ্ধে ইংৰাজে কলিকতাত আশ্ৰয় দিছিল। এইবোৰ কাৰণত চিৰাজ উদ্দৌল্লাক অসন্তুষ্ট কৰিছিল।

ধ) ইষ্ট ইণ্ডিয়া কোম্পানীৰ সাম্ৰাজ্যবাদী নীতি কি কি কাৰ্যাৱলীৰ দ্বাৰা প্ৰকাশ পাইছিল?

উত্তৰ ঃ প্ৰথম সাম্ৰাজ্যবাদী নীতি হ'ল — 'ৰেগুলেটিং এক্ট'। ইয়াৰ দ্বাৰা ভাৰতত ইংৰাজ চৰকাৰ স্থায়ী শাসনৰ পাতনি মেলা হৈছিল। তাৰ পিছত 'পিটৰ ভাৰত শাসন' আইন জাৰি কৰি ব্ৰিটিছৰ শাসন ভাৰতত অধিক সুদৃঢ় কৰি তুলিছিল।

লৰ্ড কৰ্ণৱালিছৰ 'চিৰস্থায়ী বন্দৱস্ত কৰি ভূমিৰ ক্ষেত্ৰত লগোৱা হৈছিল। ইয়াৰ পিছত ৱেলেচলিৰ 'কৰদ মৈত্ৰী' নীতিৰ জৰিয়তে ইংৰাজ সৈন্য-বাহিনীয়ে সুৰক্ষা দিব তাৰ বাবদ ৰজাই সৈন্য-বাহিনীৰ খৰচ বহন কৰিব লাগিব। এই নীতিৰ দ্বাৰা ব্ৰিটিছ চৰকাৰে অকৰ্মণ্য বুলি ভবা ৰজাক ক্ষমতাচ্যুত কৰি তেওঁলোকৰ হাতলৈ শাসন যাব। এনেদৰে কেইবাখনো ৰাজ্য ব্ৰিটিছৰ অধীনলৈ গৈছিল।

কোম্পানীৰ আন এটা নীতি হ'ল 'স্বত্ব বিলোপ নীতি'। এই নীতিৰ জৰিয়তে ব্ৰিটিছে দেশীয় ৰজাৰ স্বত্ব বিলোপ কৰিছিল। স্বত্ব বিলোপ নীতিয়ে ভাৰতৰ ব্ৰিটিছ চৰকাৰক অতিশয় শক্তিশালী কৰি তুলিছিল। *(অহা সংখ্যাত)*

২ পৃষ্ঠাৰ পৰা

# বাজেট আৰু ইয়াৰ প্ৰয়োজনীয়তা

খৰচৰ হিচাপ ৰাখিব লাগে। কিয়নো কিছুমান এনে ধৰণৰ সৰু-বৰ খৰচ ওলায় যিবোৰ কেতিয়াবাহে কৰিবলগা হয়। যেনে, কোনোবাটো সামগ্ৰী মেৰামতি কৰা, উৎসৱ পাৰ্বণৰ খৰচ ইত্যাদি। এইবোৰ এটা মাহৰ খৰচৰ হিচাপত ধৰিলে নহ'ব।

**সম্পত্তি ঃ** বছৰটোত বিভিন্ন সম্পত্তিত সোমাই থকা ধনৰ পৰিমাণে যদিও আপোনাৰ বাজেট প্ৰস্তুতিত বিশেষ সক্ৰিয় ভূমিকা পালন নকৰে তথাপি আপোনাৰনো কিমান ধন আছে সেই সম্পৰ্কে এটা ভাল ধাৰণা প্ৰদান কৰে। যেতিয়া আপুনি আপোনাৰ লক্ষ্যত উপনীত হ'বলৈ পৰিকল্পনা কৰিব তেতিয়া এইবোৰে আপোনাক সহায় কৰিব। উদাহৰণস্বৰূপে, যদিহে আপুনি আপোনাৰ লক্ষ্যত উপনীত হ'বৰ বাবে পৰ্যাপ্ত পৰিমাণৰ ধন জমা কৰিছে তেন্তে আপোনাক ঋণ সহায়ৰ প্ৰয়োজন নাই। যদিহে আপোনাৰ লক্ষ্যত উপনীত হ'বলৈ ধন আছে তেন্তে আপুনি আপোনাৰ উপাৰ্জনৰ পৰা কম পৰিমাণৰ ধন জমা কৰিলেও লক্ষ্যত উপনীত হ'ব পাৰিব।

**ঋণ ঃ** বাজেট বনাওঁতে ঋণেও এক গুৰুত্বপূৰ্ণ ভূমিকা লয়, কিয়নো ই আপোনাক জনাই দিয়ে যে আপুনি কিমান ধন ঋণ লওঁতাক পৰিশোধ কৰিবলৈ বাকী আছে। আদৰ্শগতভাৱে আপুনি ঋণ পৰিশোধ কৰাৰ এটা স্পষ্ট পৰিকল্পনা আপোনাৰ থকা উচিত। অৰ্থাৎ আপুনি কিমান পৰিমাণৰ ধন কিমান সময়সীমাৰ ভিতৰত ঘূৰাই দিব বিচাৰিছে তাৰে স্পষ্ট পৰিকল্পনা থকাটো অত্যাৱশ্যকীয়।

বাজেটৰ এই চাৰিটা বিষয়ে আপোনাৰ খৰচ পৰীক্ষা কৰাত সহায় কৰিব আৰু আৱশ্যক হ'লে নিয়ন্ত্ৰণ কৰাতো সহায় কৰিব। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল এইবোৰে আপোনাৰ লক্ষ্যত উপনীত হ'বলৈ কেনেদৰে সঞ্চয় আৰু বিনিয়োগ কৰিব লাগিব তাৰ পৰিকল্পনা কৰাত আপোনাক সুযোগ দিব।

**জৰুৰীকালীন অৱস্থাৰ সন্মুখীন**

জীৱনটোৰ ভৱিষ্যদ্বাণী কেতিয়াও কৰিব নোৱাৰি। আজি যদি সকলো পৰিকল্পনা মতে হৈ আছে কালি হঠাতে অভাৱনীয়ভাৱে কিবা ঘটি যাব পাৰে, যাৰ ফলত আপোনাৰ পৰিকল্পনাৰ ভেটিও সলনি হৈ যাব পাৰে। যদি এনে অৱস্থা হয় তেন্তে বাজেটৰ ওপৰত কি প্ৰভাৱ পৰিব? আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল আপোনাৰ লক্ষ্যত উপনীত হোৱাৰ সক্ষমতাৰ ওপৰত ই কেনে প্ৰভাৱ পেলাব?

উদাহৰণস্বৰূপে, দীনেশ আৰু মীৰাৰ ঘটনা এটা লোৱা হ'ল। এই যুৱ দম্পতীয়ে তেওঁলোকৰ নিজা ঘৰৰ পৰা দূৰৈৰ এখন সৰু চহৰত অকলশৰে বাস কৰে। দীনেশে এটা কোম্পানীত হিচাপ পৰীক্ষক হিচাপে কাম কৰে আৰু মীৰা গৃহিণী। তেওঁলোকৰ এতিয়ালৈকে সন্তান হোৱা নাই। দীনেশৰ মাক-দেউতাক তেওঁলোকৰ গৃহ নগৰত থাকে। তেওঁৰ দেউতাক অৱসৰপ্ৰাপ্ত চৰকাৰী বিষয়া। তেওঁলোকে এক বিনম্ৰ জীৱন যাপন কৰে। তেওঁলোকৰ কোনো ধৰণৰ জটিল বিত্তীয় অৱস্থাৰ সৃষ্টি হোৱা নাই আৰু সদায় আৰামদায়ক জীৱন পাৰ কৰিছে। কিন্তু তেওঁলোকৰ কোনো ধৰণৰ গাড়ী-মটৰ নাই বা ব্যয়বহুল ভ্ৰমণ বা ডাঙৰ উৎসৱত খৰচ কৰিব পৰা ধনো নাই।

তেওঁলোকৰ ২৫ বছৰীয়া বিবাহ উৎসৱ সমাগত। দীনেশ আৰু মীৰাই মাক-দেউতাকক এখন নেন' গাড়ী উপহাৰ দি চমকিত কৰিব বুলি ভাবিছে। এই যুৱ দম্পতী তেওঁলোকৰ বিত্তীয় পৰিকল্পনা সম্পৰ্কে সচেতন আৰু কেনেকৈ সোনকালে তেওঁলোকে লক্ষ্যত উপনীত হ'ব পাৰে সেইটোও জানে। সেইবাবেই তেওঁলোকে যোৱা ৩ বছৰৰ পৰা ধন সাঁচিছে আৰু নিয়মীয়াকৈ এটা ৰেকাৰিং জমাত বিনিয়োগ কৰি আহিছে। দীনেশৰ মাক-দেউতাকৰ বিবাহ বাৰ্ষিকীৰ ৬ মাহৰ পূৰ্বে এই ৰেকাৰিং জমাৰ ম্যাদ সম্পূৰ্ণ হ'ব আৰু তেওঁলোকে মুঠ ১ লাখ ৫০ হাজাৰ টকা ঘূৰাই পাব।

এদিন হঠাতে তেওঁলোকে দীনেশৰ মাকৰ পৰা এটা ফোন পালে যে দেউতাকৰ ষ্ট্ৰ'ক হৈছিল আৰু বৰ্তমানে ঠিকে আছে যদিও চিকিৎসকে তেওঁৰ কিবা ৰক্তবাহী নলী বন্ধ হৈ আছে নেকি সেইটো পৰীক্ষা কৰিবৰ বাবে এনজিঅ'গ্ৰাফী কৰিবলৈ পৰামৰ্শ দিছে। দীনেশ আৰু মীৰাই মাক-দেউতাকক তেওঁলোকৰ নগৰলৈ আহি তাতে পৰীক্ষাবোৰ কৰাবলৈ জোৰ কৰিলে। ইয়াৰ পিছত দীনেশৰ দেউতাকৰ ৰক্তবাহী নলী বন্ধ থকাটো পৰীক্ষাত ধৰা পৰিল আৰু চিকিৎসকে সফলতাৰে এনজিঅ'প্লাষ্টি কৰি সেই বন্ধ পথ মুকলি কৰিলে।

দীনেশৰ দেউতাকৰ স্বাস্থ্য বীমা আছিল। তথাপি ইয়াৰ পৰা পোৱা ধন চিকিৎসাৰ সকলো খৰচৰ বাবে পৰ্যাপ্ত নহয়। দীনেশে মাক-দেউতাকক উপহাৰ হিচাপে দিব খোজা গাড়ীৰ বাবে জমা কৰা ধনৰ পৰা চিকিৎসাৰ বাবে খৰচ হোৱা বাকী অংশ ধন প্ৰদান কৰিলে। মীৰা আৰু দীনেশে ইমান দিন পইচা জমা কৰা কথাটোৰ বাবে নিজকে ভাগ্যৱান বুলি ভাবিলে। কিয়নো এনে নকৰা হ'লে চিকিৎসাৰ খৰচৰ বাবে তেওঁলোকে ঋণ ল'ব লগা হ'লহেতেন। তেওঁলোকে গাড়ী এখন কিনি মাক-দেউতাকক উপহাৰ দিবলৈ পুনৰ ধন জমা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে।

# দশম শ্ৰেণী — পাঠভিত্তিক আলোচনা

## পাঠ ঃ পোহৰ-প্ৰতিফলন আৰু প্ৰতিসৰণ

যোৱা সংখ্যাৰ পিছৰ পৰা

✍ প্ৰাঞ্জল প্ৰতিম গগৈ

তলৰ তালিকা ১ ত অৱতল আৰু উত্তল, দুয়োখন দাপোণতে নতুন কাৰ্টীয় চিহ্ন প্ৰথা অনুসৰি কেনেকৈ চিহ্নসমূহ লোৱা হয় দেখুওৱা হৈছে।

| অৱতল দাপোণৰ ক্ষেত্ৰত। | উত্তল দাপোণৰ ক্ষেত্ৰত |
|---|---|
| (ক) লক্ষ্যবস্তু সদায়ে দাপোণৰ সন্মুখত, বাঁওফালে ৰখা হয়। সেইবাবে লক্ষ্যবস্তুৰ দূৰত্ব সদায়ে ঋণাত্মক(-ve) হিচাপে লোৱা হয়। | (ক) লক্ষ্যবস্তু সদায়ে দাপোণৰ সন্মুখত, বাঁওফালে ৰখা হয়। সেয়েহে লক্ষ্যবস্তুৰ দূৰত্ব সদায়ে ঋণাত্মক(-ve) হিচাপে লোৱা হয়। |
| (খ) যিহেতু ভাঁজকেন্দ্ৰ (C) আৰু মুখ্য ফ'কাচ (F) অৱতল দাপোণৰ ক্ষেত্ৰত দাপোণৰ সন্মুখত অৰ্থাৎ বাঁওফালে থাকে, সেয়েহে ভাঁজব্যাসাৰ্ধ (R) আৰু ফ'কাচ দৈৰ্ঘ্য (f) ঋণাত্মক। | (খ) যিহেতু ভাঁজকেন্দ্ৰ (C) আৰু মুখ্য ফ'কাচ (F) উত্তল দাপোণৰ ক্ষেত্ৰত দাপোণৰ পিছফালে অৰ্থাৎ সোঁফালে থাকে, সেয়েহে ভাঁজব্যাসাৰ্ধ (R) আৰু ফ'কাচ দৈৰ্ঘ্য (f) ধণাত্মক। |
| (গ) প্ৰতিবিম্ব দাপোণৰ সন্মুখত গঠন হ'লে, প্ৰতিবিম্বৰ দূৰত্ব ঋণাত্মক আৰু পিছফালে গঠন হ'লে ধণাত্মক হিচাপে লোৱা হয়। | (গ) উত্তল দাপোণৰ ক্ষেত্ৰত প্ৰতিবিম্ব সদায়ে দাপোণৰ পিছফালে গঠন হয়। সেয়েহে প্ৰতিবিম্বৰ দূৰত্ব সদায়ে ধণাত্মক হিচাপে লোৱা হয়। |
| (ঘ) থিয় প্ৰতিবিম্ব (errect image) গঠন হ'লে, প্ৰতিবিম্বৰ উচ্চতা (h') ধণাত্মক আৰু ওলোটাকৈ (inverted image) গঠন হ'লে ঋণাত্মক হিচাপে লোৱা হয়। | (ঘ) উত্তল দাপোণৰ ক্ষেত্ৰত সদায়ে থিয় প্ৰতিবিম্ব (inverted image)গঠন হয়। সেয়েহে প্ৰতিবিম্বৰ উচ্চতা (h') সদায়ে ধণাত্মক হিচাপে লোৱা হয়। |


**দাপোণৰ সূত্ৰ (Mirror Formula):**

দাপোণৰ সূত্ৰই লক্ষ্যবস্তুৰ দূৰত্ব (u), প্ৰতিবিম্বৰ দূৰত্ব (v) আৰু ফ'কাচ দৈৰ্ঘ্যৰ (f) মাজত এটা সম্বন্ধ স্থাপন কৰে। সম্বন্ধটো তলত দিয়া ধৰণৰ- $\frac{1}{v}+\frac{1}{u}=\frac{1}{f}$

ছাত্ৰ-ছাত্ৰীসকল তোমালোকৰ পাঠ্যক্ৰমত দাপোণৰ সূত্ৰটো আৰু ইয়াৰ সহায়ত প্ৰতিফলনৰ লগত জড়িত সাংখ্যিক সমস্যাসমূহ কেনেকৈ সমাধান কৰিব পাৰি, উদাহৰণসহ বিস্তৃতভাৱে দেখুওৱা হৈছে। ওপৰৰ সূত্ৰটো আমি ৰশ্মিচিত্ৰৰ দ্বাৰা অৱতল আৰু উত্তল, দুয়োখন দাপোণৰ বাবে তলত দিয়া ধৰণে উপস্থাপন কৰিব পাৰো।

(ক) অৱতল দাপোণৰ বাবে:

ধৰা হ'ল, AB এটা লক্ষ্যবস্তু আৰু, চিত্ৰ ১৫( ক) আৰু (খ) ত দেখুওৱাৰ দৰে অৱতল দাপোণ এখনৰ মূখ্য অক্ষত লম্বভাৱে ৰখা হৈছে। দোপোণ অভিমুখী, লক্ষ্যবস্তুৰ পৰা নিৰ্গত ৰশ্মিবোৰ প্ৰতিফলনৰ পিছত ক্ৰমে (i) সৎ (চিত্ৰ১৫ ক) আৰু (ii) অসৎ (চিত্ৰ১৫ খ) প্ৰতিবিম্ব গঠন কৰে।




চিত্ৰ ১৫( ক)

দুয়োটা চিত্ৰতে, $\Delta PAB$ আৰু $\Delta PA'B'$ সদৃশ ত্ৰিভূজ। ত্ৰিভূজৰ সূত্ৰমতে,

$$\frac{AB}{A'B'}=\frac{PB}{PB'} \qquad (1)$$

একেদৰে, $\Delta CAB$ আৰু $\Delta CA'B'$ সদৃশ ত্ৰিভূজ। $\frac{AB}{A'B'}=\frac{CB}{CB'}$

সমীকৰণ (1) আৰু (2) ৰ পৰা আমি পাঁও যে,

চিত্ৰ ১৫( ক) ত যিহেতু সৎ প্ৰতিবিম্ব গঠন হৈছে, $\frac{PB}{PB'}=\frac{CB}{CB'}=\frac{PB-PC}{PC-PB'}$


নতুন কাৰ্টীয় চিহ্ন প্ৰথা অনুসৰি, আমি পাঁও যে, PB= u, PB'= v, PC= R

$\therefore \frac{u}{v}=\frac{u-R}{R-v} \Rightarrow uR-uv=uv-vR$

$\Rightarrow vR+uR=2uv$

$\Rightarrow\frac{1}{u}+\frac{1}{v}=\frac{2}{R}=\frac{1}{f}$ (দুয়োফালে uvr ৰ দ্বাৰা হৰণ কৰা হ'ল আৰু R=2f)

চিত্ৰ ১৫ (খ)




আকৌ চিত্ৰ১৫ ( খ) ত যিহেতু অসৎ প্ৰতিবিম্ব গঠন হৈছে

$$\frac{PB}{PB'}=\frac{CB}{CB'}=\frac{PC-PB}{PC+PB'}$$

নতুন কাৰ্টীয় চিহ্ন প্ৰথা ব্যৱহাৰ কৰি আমি পাঁও, PB= u, PB'= -v, PC= -R

$$\therefore \frac{u}{-v}=\frac{R-u}{R+(-v)} \Rightarrow uR-uv=-vR+uv$$

$\Rightarrow vR+uR=2uv$

$\Rightarrow\frac{1}{u}+\frac{1}{v}=\frac{2}{R}=\frac{1}{f}$ (দুয়োফালে uvr ৰ দ্বাৰা হৰণ কৰাত)

*(অহা সংখ্যাত)*

# নৱম শ্ৰেণী — পাঠভিত্তিক আলোচনা

## পাঠ ঃ গতি (MOTION)

যোৱা সংখ্যাৰ পিছৰ পৰা

✍ ড° হুপেশ চৌধুৰী

মৰমৰ ছাত্ৰ-ছাত্ৰীসকল, যোৱা সংখ্যালৈ আমি গতিশীল বস্তু এটাৰ ত্বৰণৰ মান গণনা কৰিলো। তোমালোকৰ অনুশীলনৰ বাবে দুটা সাংখ্যিক সমস্যাও দিছিলো। আশা কৰো সমাধান কৰিব পাৰিছা। এইখিনিতে কথা এটা কৈ থৈ দিওঁ। আজিকালি প্ৰশ্নকাকত সাংখ্যিক সমস্যাৰ প্ৰশ্ন প্ৰশ্নকাকতখনৰ প্ৰায় পঞ্চাশ শতাংশই থাকে। গতিকে অৱহেলা নকৰিবা। সাংখ্যিক সমস্যা সমাধান মানে তোমাৰ প্ৰদত্ত পাঠটোৰ জ্ঞানখিনিৰ প্ৰয়োগ। ভয় নকৰিবা সাংখ্যিক সমস্যা সমাধানৰ বাবে মাত্ৰ তলত দিয়া নিয়মকেইটা পালন কৰি আগুৱাবা —

**নিয়ম ঃ**

1) সূত্ৰটোৰ প্ৰকাশ ৰাশি (গাণিতিক)টো মনত ৰাখিবা।
2) প্ৰশ্নটো খুব মনোযোগ দি দুবাৰ-তিনিবাৰ পঢ়িবা।
3) প্ৰশ্নটোৰ ৰাশিবোৰৰ দিয়া মানবোৰৰ এককবোৰ চাই ল'বা। যদি বেলেগ বেলেগ পদ্ধতিৰ একক আছে সকলোবোৰ একে পদ্ধতিত লিখিবা। এছ আই পদ্ধতিত লিখিলে ভাল।
4) প্ৰশ্নৰ পৰা প্ৰকাশ ৰাশিটোৰ যিবোৰৰ মান দিয়া আছে, সেইবোৰৰ আটাইবোৰৰ মানবোৰ লিখি লোৱা।
   যিবোৰ ৰাশিৰ মান উলিয়াব দিছে তাৰো ৰাশিৰ সংকেতটো লিখি সমান (= ) চিহ্ন দি প্ৰশ্নবোধক (?) চিহ্নটো লিখি থোৱা।
5) এতিয়া প্ৰকাশ ৰাশিটো লিখি তাৰ পৰৱৰ্তী শাৰীবোৰত প্ৰত্যেক ৰাশিৰ মানবোৰ বহুৱাই লোৱা। প্ৰয়োজন থাকিলে ৰাশিবোৰ ধন বা ঋণ চিহ্ন দিব লাগিলে দি ল'ব লাগিব। কিন্তু নিৰ্ণয় কৰিবলগীয়া ৰাশিটোত কোনো ধন বা ঋণ চিহ্ন দিব নালাগে।
6) এইদৰে সমীকৰণ সমাধান কৰাৰ দৰে গণনা কৰি আগবাঢ়ি যাবা।
7) শেষত নিৰ্ণয় কৰিবলগীয়া ৰাশিটোৰ মান ওলাই যাব।

তলত এটা উদাহৰণৰ দ্বাৰা আকৌ কথাটো স্পষ্ট কৰো আহা।

ধৰা হ'ল আমাক এটা গতিশীল বস্তুৰ অন্তিম বেগৰ মান নিৰ্ণয় কৰিব দিছে। প্ৰশ্নটো এনে ধৰণৰ —

প্ৰশ্ন ঃ বন্দুকৰ গুলি এটাই 250 $ms^{-1}$ বেগেৰে গৈ 2 মিনিটত কাঠ এটুকুৰাত খুন্দা মাৰি কাঠ টুকুৰাৰ সৈতে গতি কৰিলে। যদি গুলিটোৰ কাঠ টুকুৰাত খুন্দা মৰাৰ সময়ত মন্থৰণ 2 $Cms^{-2}$ হয়, তেন্তে তাৰ সেই সময়ত বেগ কিমান?

উত্তৰ ঃ আমি জানো যে,

$$v=u+at$$

ইয়াত দিয়া আছে, $u=250ms^{-1}$

$$a=-2cm^{-2} \qquad =-2\times10^{-2}ms^{-2}$$
$$t=2\min \qquad =2\times60s$$
$$v=?$$

এতিয়া

$$v=u+at$$
$$\Rightarrow v \quad =250+(-2\times10^{-2})\times2\times60$$
$$=250-4\times6\times10^{-1}$$
$$=250-24\times10^{-1}$$
$$=250-2.4$$
$$\therefore v=247.6ms^{-1}$$

অৰ্থাৎ গুলিটোৰ কাঠত খুন্দা খোৱাৰ সময়ত বেগ 247.6 $ms^{-1}$ হ'ব। ইয়াত গুলিটোৱে কিছুদূৰ যোৱাৰ পিছত মন্থৰিত (ঋণাত্মক ত্বৰণ) হৈছে।

*(অহা সংখ্যাত)*

**নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকললৈ আহ্বান**

ছাত্ৰ-ছাত্ৰীসকলে জিজ্ঞাস গোষ্ঠীৰ পৰা প্ৰকাশিত 'প্ৰশ্ন জিজ্ঞাস'ত সংযোজিত যিকোনো প্ৰশ্নৰ উত্তৰ কৰিবলৈ অসমৰ্থ হ'লে ডাকযোগে বা জিজ্ঞাসৰ ই-মেইলযোগে (jigyaspublication@gmail.com) প্ৰশ্নসমূহ জিজ্ঞাস কাৰ্যালয়লৈ প্ৰেৰণ কৰিব পাৰে। উক্ত প্ৰশ্নসমূহৰ উত্তৰ সাপ্তাহিক জিজ্ঞাসত একাদিক্ৰমে প্ৰকাশ কৰা হ'ব।

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

# বানপানীৰ সময়ত জৰুৰীকালীন টোপোলাত সযতনে ৰাখিবলগীয়া লগা বস্তু-সামগ্ৰী



- সহজতে নষ্ট নোহোৱা কিছু খাদ্য সামগ্ৰী, যেনে— বিস্কুট, চিৰা ইত্যাদি।
- পানীৰ বটল
- গুৰুত্বপূৰ্ণ নথি-পত্ৰ, কিছু নগদ ধন, ম'বাইল ফোন, চাৰ্জাৰ, ছেনিটাৰী নেপকিন, অনুমোদিত ঔষধ, জৰুৰীকালীন ফোন নম্বৰ ইত্যাদি থকা পানী প্ৰতিৰোধী মোনা
- প্ৰাথমিক চিকিৎসা সামগ্ৰী থকা বাকচ
- চাবোন, ছেনিটাইজাৰ আৰু মাস্ক
- এখন ছুৰী আৰু এখন কেঁচী
- অতিৰিক্ত বেটাৰি/মমবাতি আৰু দিয়াচলাইৰ সৈতে এটা টৰ্চলাইট
- কিছু কাপোৰ
- গাখীৰ আৰু প্ৰয়োজনত কেঁচুৱাৰ খাদ্য
- এডাল ৰছী আৰু এটা হুইচেল (অতি প্ৰয়োজনীয়তাত ব্যৱহাৰ কৰিবলৈ)

## নিজেও সুৰক্ষিত হওক আৰু আনকো সহায় কৰক

পঞ্জীয়ন কৰক assam.mygov.in | /mygovassam

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Follow Us /@diprassam | https://dipr.assam.gov.in/

জনসংযোগ/৯৩১/২১

# নৱম শ্ৰেণী — পাঠভিত্তিক আলোচনা

## অন্ধবিশ্বাস আৰু কুসংস্কাৰ

ড° বৰ্ণালী ডেকা

যোৱা সংখ্যাৰ পিছৰ পৰা

ষষ্ঠতে, আমাৰ সমাজত সততে চকুত পৰা কম কষ্টত অধিক সফলতা, ধন-সম্পত্তি অৰ্জন, ভোগ-বিলাসৰ কামনা কৰা লোক সাধাৰণতে অন্ধবিশ্বাসী হোৱা দেখা যায়।

সপ্তমতে, অন্ধবিশ্বাস, কুসংস্কাৰৰ গৰাহত নপৰিবলৈ ব্যক্তি এজনক লাগিব যুক্তিবাদী মন আৰু বিজ্ঞান মনষ্কতা। যিহেতু বিজ্ঞান এক সংস্কৃতি, এক সভ্যতা; ই সৰ্বব্যাপী, ই জীৱন ধাৰণৰ প্ৰণালী। দৈনন্দিন জীৱনৰ প্ৰতিটো খোজতেই বিজ্ঞানৰ আৱশ্যক। গতিকে বিজ্ঞানৰ যুক্তিৰ ওপৰত মন প্ৰতিষ্ঠিত হ'লে অন্ধবিশ্বাস, কুসংস্কাৰৰ নিচিনা ব্যাধিবোৰে আমাৰ মনক কলুষিত কৰিব নোৱাৰিব।

সমাজৰ বিশেষ বিশেষ অঞ্চল বাছি লৈ উপৰোক্ত কাৰণবোৰে সেই স্থানত কিমান প্ৰভাৱ বিস্তাৰ কৰিছে তাক লক্ষ্য কৰিব লাগে। সেই মতে আমি নিশ্চয় বৈজ্ঞানিক মানসিকতা গঢ়ি তোলাৰ প্ৰথম পদক্ষেপ লৈ ক্ৰমে আগবাঢ়িব পাৰিম। ছাত্ৰসকলে এই ক্ষেত্ৰত আগভাগ ল'ব পাৰে।

৪। প্ৰশ্ন ঃ অন্ধবিশ্বাস, কুসংস্কাৰ আদি নিয়ন্ত্ৰণ কৰিবলৈ কেনে ধৰণৰ আঁচনি গ্ৰহণ কৰিব পাৰি ?

উত্তৰ ঃ অন্ধবিশ্বাস, কুসংস্কাৰ আদি নিয়ন্ত্ৰণ কৰিবলৈ বিভিন্ন ধৰণৰ আঁচনি গ্ৰহণ কৰি তাক কাৰ্যকৰী কৰিব পাৰি। তাৰ ভিতৰত পোন প্ৰথম আমি নিজে সচেতন হোৱা প্ৰয়োজন। অঞ্চলবিশেষে সজাগতা সভাৰ আয়োজন কৰি এনেবোৰ বিষয় অৱগত কৰাৰ লগতে ইয়াৰ প্ৰতিকাৰৰ উপায়ো দিব লাগিব। বিভিন্ন সামাজিক ৰীতি-নীতি প্ৰথা-পৰম্পৰাদিক বিজ্ঞানসন্মত দৃষ্টিভংগীৰে বিশ্লেষণ কৰিবলৈ আমি শিকিব লাগিব। বিদ্যালয়-মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত এই বিষয়টো অন্তৰ্ভুক্ত কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিষয়টিৰ সম্যক জ্ঞান দিলে ইয়াৰ ভয়াৱহতা হৃদয়ঙ্গম কৰিব পাৰিব আৰু তেনেদৰে কিছু পৰিমাণে তেওঁলোকক সজাগ কৰিব পৰা যাব। আনহাতে নাট মঞ্চস্থ কৰি, তথ্যচিত্ৰ বা চলচ্চিত্ৰ আদি নিৰ্মাণ কৰি আৰু প্ৰচাৰ মাধ্যমৰ জৰিয়তেও অন্ধবিশ্বাস, কুসংস্কাৰৰ নিচিনা সমাজৰ ব্যাধিস্বৰূপ কাৰকবোৰ নিয়ন্ত্ৰণ কৰিব পৰা যায়। সকলোতকৈ গুৰুত্বপূৰ্ণ কথাটি হ'ল, যিকোনো সামাজিক ব্যাধিক প্ৰাধান্য দি কাৰ্য কৰাসকলৰ বিৰুদ্ধে শাস্তিৰ ব্যৱহা থাকিব লাগে। তেতিয়াহে কিছু পৰিমাণে আমি আমাৰ সমাজক কুসংস্কাৰ, অন্ধবিশ্বাসৰ কবলৰ পৰা মুক্ত কৰিব পাৰিম।

৫। প্ৰশ্ন ঃ ' ডাইনী', 'সোপাধৰা' এইবোৰ অন্ধবিশ্বাস। অন্ধবিশ্বাস বুলি জানিও কিছু লোকে এই বিষয় দুটাক লৈ উৱা বাতৰি প্ৰচাৰ কৰে আৰু বহু লোকে বিশ্বাস কৰিও লয়। ইয়াৰ কাৰণ কি কি বুলি ভাবা?

উত্তৰ ঃ ডাইনী, সোপাধৰা আদিক অন্ধবিশ্বাস বুলি জানিও সমাজৰ এচাম লোকে ইয়াক বিশ্বাস কৰে বা সত্য বুলি মানি লয় আৰু এই বিষয়ে উৱা বাতৰি প্ৰচাৰ কৰা দেখা যায়। ইয়াৰ মূল কাৰণ, প্ৰথমে অজ্ঞানতা বুলিব লাগিব। আকৌ কিছুমানে শিক্ষিত হৈয়ো নিজৰ আৱেগ নিয়ন্ত্ৰণ কৰিব নোৱাৰে। ফলত অন্ধবিশ্বাসৰ কবলত পৰে। স্বাৰ্থ পূৰণৰ উদ্দেশ্যে কিছুমান অসৎ প্ৰবৃত্তিৰ লোকে হকে-বিহকে উৱা বাতৰি বিয়পাই সমাজৰ সুস্থিৰতা ভংগ কৰে। বিশেষকৈ গ্ৰামাঞ্চলত অপায়-অমঙ্গলৰ মূল কাৰণ ডাইনী বুলি সকলোকে পতিয়ন নিয়াই পৰিবেশ উত্তেজনাময় কৰি তোলে। ডাইনী সন্দেহত নিৰ্দিষ্ট লোকজন গাঁওবাসীৰ উৎপীড়নৰ বলি হ'বলগীয়া ধৰণৰ ঘটনা সংঘটিত হৈ থকা আমি বৰ্তমানেও আমাৰ সমাজত লক্ষ্য কৰিছো। আনহাতে, এচাম লোকৰ নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে 'সোপাধৰা'ৰ অপপ্ৰচাৰ চলোৱাৰ ফলত মৃত্যু পৰ্যন্ত হোৱাৰ উদাহৰণ যথেষ্ট আছে। ডাইনী আৰু সোপাধৰা এনে বিষয়বোৰ সমাজৰ আৱেগ-অনুভূতি আৰু ভুল বুজাবুজি বুলি ভাবি সাধাৰণ ঘটনা হিচাপে ৰেহাই দিয়া উচিত নহয়। অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে উদাসীন হ'লে স্বাথান্বেষী মানুহ উৎসাহিত হোৱা স্বাভাৱিক। এইবোৰে সমাজ বিশৃংখল কৰাৰ সম্ভাৱনাও অধিক।

প্ৰশ্ন ঃ ৬। তোমালোকৰ অঞ্চলত প্ৰচলিত অন্ধবিশ্বাস, কুসংস্কাৰ আদি তোমাৰ চকুত পৰিছে নেকি? সেইবোৰ নিৰাময়ৰ বাবে তোমাৰ ফালৰ পৰা কি কি ব্যৱস্থা ল'বা — এই বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

উত্তৰ ঃ মই বাস কৰা অঞ্চলত যথেষ্ট সংখ্যক শিক্ষিত তথা উচ্চপদস্থ বিষয়া পৰ্যায়ৰ লোক, শিক্ষক, অধিবক্তা, বিভিন্ন চাকৰিয়াল, বিভিন্ন ব্যৱসায়ত জড়িত লোক আছে যদিও তেওঁলোক অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ পৰা সম্পূৰ্ণ মুক্ত হ'ব পৰা নাই। সাধাৰণ মানুহে জৰা-ফুকা কৰি ৰোগৰ উপশম ঘটোৱা, দৰা-কইনাই অমঙ্গল নাশিবলৈ জাপ-জৰী লোৱা, গ্ৰহৰ কু-দৃষ্টিৰপৰা ৰক্ষা পাবলৈ বা সৌভাগ্যৰ বাবে বা ব্যৱসায়-বাণিজ্যৰ উন্নতিৰ বাবে বিভিন্ন ধৰণৰ পাথৰ ধাৰণ কৰা লোক আমাৰ অঞ্চলটিৰ লোকৰ মাজত বিদ্যমান।

# দ্ৰুতপাঠ ঃ বৈচিত্ৰ্যময় অসম — দশম শ্ৰেণী

## পাঠভিত্তিক আলোচনা — পাঠ ঃ তিৱাসকল

মনোজ শৰ্মা

অসমত বসবাস কৰা বৰ্ণাঢ্য জনজাতি তিৱাসকলক 'লালুং' নামেৰেও জনাজাত। তিৱাসকল বৰ্তমান নগাঁও জিলাৰ মায়ং, কপিলি, কঠীয়াতলী, কামপুৰৰ উপৰি মেঘালয় আদি অঞ্চলত সিঁচৰতি হৈ আছে। কাৰ্বি আংলং জিলাৰ পাহাৰৰ পাদভূমি, মৰিগাঁও অঞ্চলত তিৱাসকলৰ বসতি দেখা যায়। তিৱাসকলৰ বাসস্থানক নপাৰ বোলে। নপাৰ দুটা কোঠালিৰ হয়। আগফালে আৰু পাছফালে দুখন বাৰাণ্ডা থাকে। আগফালৰ বাৰাণ্ডাত পানীৰ চুঙা আৰু তাঁতশাল থাকে। পিছফালৰ বাৰাণ্ডাত ঢেঁকীশাল আৰু খৰিখোৱা ঘৰ থাকে। তিৱাসকলৰ সামাজিক গাঁথনি দুটা ভাগত বিভক্ত-সামাজিক আৰু ধৰ্মীয় গোট। সমাজত গাঁওবুঢ়া, বাৰিক, চাং দলৈ, চাং মাজি, ৰুমা আৰু খৰামূল আদি বিষয়াসকল থাকে। তিৱাসকলৰ বাৰটা পাত্ৰৰ অন্তৰ্গত কুলৰ পৰা বাঢ়ি যোৱা ঠাল-ঠেঙুলি হ'ল মচৰং, মাছেৰেং, মাগৰ, মাদু, লাদু, পুৰু, ছাগৰা, মালৈ, ফাংচং, পুমা, দাফয়, মিথি, লম্বে, শুকাই, খৰে, আগাৰা, চঞ্চৰ, কচ, চলং, মুনি, মেলাং, কাখব, দাৰ ফং, দাৰ পাং, দলং, আচি, খ, লবম। ইয়াৰ ভিতৰত মচৰং আৰু মাছেৰেং কুলক শ্ৰেষ্ঠবুলি কোৱা হয়। ইয়াৰ পৰাইৰজা হয়। তিৱা সমাজব্যৱস্থাত ৰজাইবংশানুক্ৰমিকভাৱে ৰাজ্য লাভ কৰে। ৰজাৰ পুত্ৰক ৰজা পতা হয়। ৰজাৰ পুত্ৰ সন্তান নাথাকিলে তেওঁৰ বংশৰ কোনো লোকক ৰজা পতা হয়। ৰজাৰ জীয়েক থাকিলে তেওঁ ৰাণী বা ৰজা হ'ব নোৱাৰে। তিৱাসকলে পালন কৰা কৃষিৰ লগত সম্পৰ্ক থকা এক উৎসৱ হ'ল ছংখং বা লখিমী পূজা।

**অতি চমু প্ৰশ্নোত্তৰ ঃ**

প্ৰশ্নঃ তিৱাসকলৰ প্ৰাক্ ঐতিহাসিক যুগৰ কিম্বদন্তিমূলক ৰজাজনৰ নাম কি?

উত্তৰঃ বীৰ জোঙাল বলহু।

প্ৰশ্নঃ অসমৰ প্ৰথমটো কৃষকৰ বিদ্ৰোহৰ নাম কি?

উত্তৰঃ 'ফুলগুৰি ধেৱা'।

প্ৰশ্নঃ বিয়াল্লিছৰ গণ আন্দোলনত ছহিদ হোৱা তিৱা জনজাতিৰ ব্যক্তিগৰাকী কোন?

উত্তৰঃ হেমৰাম পাটৰ।

প্ৰশ্নঃ তিৱা জনজাতিৰ মাজত জাতীয় চেতনা জাগ্ৰত কৰাৰ ক্ষেত্ৰত আজীৱন সংগ্ৰাম কৰা অন্যতম ব্যক্তি এগৰাকীৰ নাম লিখা।

উত্তৰঃ ইন্দ্ৰছিং দেউৰী।

প্ৰশ্নঃ 'তিৱাচা মিছন', 'লালুং দৰবাৰ' নামৰ সামাজিক অনুষ্ঠানৰ কোনে জন্ম দিয়ে?

উত্তৰঃ ইন্দ্ৰছিং দেউৰীয়ে।

প্ৰশ্নঃ তিৱাসকলৰ জাতীয় সংগীতটো কি?

উত্তৰঃ ইন্দ্ৰছিং দেউৰীয়ে ৰচনা কৰা "তিৱা তচিমা" গীতটো।

প্ৰশ্নঃ পাহাৰৰ তিৱাসকলে কাক 'ফা পৰৈ' (জাতিৰ পিতা) বুলি সম্বোধন কৰিছিল?

উত্তৰঃ ইন্দ্ৰছিং দেউৰীক।

প্ৰশ্নঃ তিৱা জনগোষ্ঠীৰ স্বকীয় সংস্কৃতি সংৰক্ষণৰ বাবে গঠিত "তিৱা কৃষ্টি সন্থা" কোনে গঠন কৰিছিল?

উত্তৰঃ সু-প্ৰতিষ্ঠিত লেখক, সংস্কৃতি সাধক বলাইৰাম সেনাপতিয়ে।

পাঠভিত্তিক প্ৰশ্নোত্তৰঃ

প্ৰশ্নঃ ভাষিক দিশৰ পৰা তিৱাসকল কোনটো থালৰ লোক?

উত্তৰঃ ভাষিক দিশৰ পৰা এওঁলোক ইণ্ডো-চীনৰ অন্তৰ্গত তিব্বত বৰ্মীয় ভাষা গোষ্ঠী পৰিয়ালৰ বৃহত্তৰ 'বড়ো' থালৰ লোক।

প্ৰশ্নঃ তিৱাসকলে তেওঁলোকৰ উৎসৱ-পাৰ্বণত ব্যৱহাৰ কৰা বিভিন্ন বাদ্যযন্ত্ৰবোৰ কি কি?

উত্তৰঃ খ্ৰাম্ (ঢোল) বাৰ, খ্ৰাম খুজুৰা, খ্ৰাম পান্থাই, দুম্‌দিং, দগৰ্, পাতিঢোল আদি চাম্‌ৰাৰ বাদ্য, বাঁহৰ পাবেৰে তৈয়াৰী ৱাফাং খ্ৰাম, থক্‌থৰৰক, মুখেৰে ফু দি আঙুলি ব্যৱহাৰ কৰি বজোৱা পাংশী (বাঁহী), থোৰাং, ম'হৰ শিঙৰ পেঁপা, মুহুৰি আৰু খায়াং (তাল) ইত্যাদি বাদ্যযন্ত্ৰ।

প্ৰশ্নঃ তিৱা সমাজত 'জেলা' বুলি কাক কোৱা হয়?

উত্তৰঃ তিৱাসকলৰ সামাজিক গাঁথনি খেলৰ প্ৰশাসনিক আৰু সামাজিক মুৰব্বীজনক ভৈয়ামত 'জেলা' বুলি কোৱা হয়।

প্ৰশ্নঃ তিৱাসকলৰ কেইটিমান উৎসৱৰ নাম লিখা।

উত্তৰঃ তিৱাসকলৰ পাহাৰ অঞ্চলত বসবাসীসকলৰ বিভিন্ন পূজা, উৎসৱ-পাৰ্বণবোৰ হৈছে— ৱানছুৱা, ছগ্ৰা, য়াংলী, মুইনাৰী কাণ্ঠি, লাংখন, মাই পথালা, মাই ৰাৱা, খাপ্‌লাং ৰাৱানে ফূজা, পান্থাইচ্যৱা ইত্যাদি। আনহাতে ভৈয়াম অঞ্চলৰ উৎসৱ-পাৰ্বণবোৰ হৈছে— জোনবিল মেলা, বৰত্ গোসাঁই উলিওৱা মেলা, ব'হাগ বিহু, মাঘ বিহু আৰু কাতি বিহু ইত্যাদি।

প্ৰশ্নঃ ফুলগুৰিৰ ধেৱা কি?

উত্তৰঃ ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ প্ৰাৰম্ভতে হোৱা অসমৰ প্ৰথমটো কৃষক বিদ্ৰোহ। ফুলগুৰি ধেৱাৰ জন্ম আৰু নেতৃত্ব দিছিল তিৱাসকলে। বিদ্ৰোহৰ অপৰাধত চোৱাবৰ লালুঙকে ধৰি বহু লোকৰ প্ৰাণ যোৱাৰ উপৰি এঘাৰজন লোক যাৱজ্জীৱন দ্বীপান্তৰিত হৈছিল।

*(অহা সংখ্যাত)*

# নৱম শ্ৰেণী — হিন্দী

## पद्य : कृष्ण महिमा — कवि : रसखान

✍ সমীৰ হাজৰিকা

**1. सही विकल्प का चयन करो :**

(क) रसखान कैसे कवि थे ?

(1) कृष्णभक्त (2) रामभक्त (3) सूफी (4) संत

**उत्तर:** (1) कृष्णभक्त

(ख) कवि रसखान की प्रामाणिक रचनाओं की संख्या है -

(1) तीन (2) दो (3) चार (4) पाँच

**उत्तर:** (3) चार

(ग) पत्थर बनकर कवि रसखान कहाँ रहना चाहते हैं ?

(1) हिमालय पर्वत पर
(2) गोवर्धन पर्वत पर
(3) विंध्य पर्वत पर (4) नीलगिरि पर

**उत्तर:** (2) गोवर्धन पर्वत पर

(घ) बालक कृष्ण के हाथ से कौआ क्या लेकर भागा ?

(1) सूखी रोटी (2) दाल-रोटी
(3) पावरोटी (4) माखन रोटी

**उत्तर:** (4) माखन रोटी

**2. एक शब्द में उत्तर दो :**

(क) रसखान ने किनसे भक्ति की दीक्षा ग्रहण की थी ?

**उत्तर:** गोस्वामी विट्ठलनाथ जी से।

(ख) 'प्रेमवाटिका' के रचयिता कौन है ?

**उत्तर:** कवि रसखान।

(ग) रसखान की काव्य-भाषा क्या है ?

**उत्तर:** ब्रज।

(घ) आराध्य कृष्ण का वेष धारण करते हुए कवि अधरों पर क्या धारण करना नहीं चाहते ?

**उत्तर:** मुरली।

(ङ) किनकी गाय चराकर कवि रसखान सब प्रकार के सुख भुलाना चाहते हैं ?

**उत्तर:** नंद की गाय चराकर।

**3. पूर्ण वाक्य में उत्तर दो :**

(क) कवि रसखान कैसे इंसान थे ?

**उत्तर:** कवि रसखान कोमल हृदयवाले, भावुक प्रकृति के इंसान थे।

(ख) कवि रसखान किस स्थिति में गोपियों के कृष्ण-प्रेम से अभिभूत हुए थे ?

**उत्तर:** कवि रसखान श्रीमदभागवत के फारसी अनुवाद पढ़कर गोपियों के कृष्ण-प्रेम से अभिभूत हुए थे।

(ग) कवि रसखान ने अपनी रचनाओं में किन छन्दों का अधिक प्रयोग किया है ?

**उत्तर:** कवि रसखान ने अपनी रचनाओं में दोहा, कवित्त और सवैया छन्दों का अधिक प्रयोग किया है।

(घ) मनुष्य के रुप में कवि रसखान कहाँ बसना चाहते हैं ?

**उत्तर:** मनुष्य के रुप में कवि रसखान ब्रज, गोकुल के गाँवों में बसना चाहते हैं।

(ङ) किन वस्तुओं पर कवि रसखान तीनों लोकों का राज न्योछावर करने को प्रस्तुत है ?

**उत्तर:** जब कृष्णा छरी और कमबल लेकर गाय चराते हैं तब कवि रसखान तीनों लोकों का राज न्योछावर करने को प्रस्तुत है।

**4. अति संक्षिप्त उत्तर दो**

(क) कवि का नाम 'रसखान' किस प्रकार पूर्णत: सार्थक बन पड़ा है ?

**उत्तर:** कवि रसखान कोमल हृदयवाले, भावुक प्रकृति के इंसान थे। उनकी काव्य-भाषा ब्रज है, जिसमें सहजता, मधुरता और सरसता सर्वत्र विराजमान है। भावुक हृदय से बनी उनकी रचनाओं में भक्ति-रस, प्रेम-रस और काव्य-रस तीनों भरपुर मात्रा में विद्यमान है। इसलिए कवि का नाम 'रसखान' (रस की खान) पूर्णत: सार्थक बन पड़ा है।

(ख) 'जो खग हौं तो बसेरो करौं, मिलि कालिंदी-कुल-कदंब की डारत' - का आशय क्या है ?

**उत्तर:** कवि रसखान ब्रज-गोकुल की सुन्दरता का वर्णन करते हुए कहा है कि जो पक्षी यमुना नदी के किनारे स्थित कदम्ब वृक्ष की डाल पर निवास करता है, वही धन्य है, क्योंकि उस स्थान पर भगवान श्रीकृष्ण का वास है।

(ग) 'वा छबि कों रसखानि बिलोकत, वारत काम कलानिधि कोटी' - का तात्पर्य बताओ।

**उत्तर:** जब बालक श्रीकृष्ण का सारा देह तथा सिर की चोटी धूल से शोभित है और पीली काछनी पहनकर तथा पैरों में पैंजनी बाँधकर इधर-उधर धुमते रहते हैं, तब उस दृश्य को रसखान निहारता है तथा उस पर करोड़ों कामदेव तथा चन्द्रमा न्योछावर हो जाते हैं।

(घ) 'भावतो वोहि मेरे 'रसखानि', सो तेरे कहे सब स्वांग भरौंगी' - का भाव स्पष्ट करो।

**उत्तर:** कवि रसखान भी श्रीकृष्ण की तरह मोर पंख सिर पर लगाकर, पीताम्बर वस्त्र ओढ़कर, गुंजा की माला पहनकर छरी लिए गायों को चराने चायेंगे तथा इस वेष में कवि भाव-विभोर हो जाते हैं और यह वेष भी तेरे लिए भी बनाएँगे। अर्थात कवि अन्य भक्तों के लिए भी वैसा ही वेष बनाना चाहता है।

**5. संक्षेप में उत्तर दो : ( लगभग 50 शब्दों में )**

(क) कवि रसखान अपने आराध्य का सान्निध्य किन रुपों में प्राप्त करना चाहते हैं ?

**उत्तर:** कवि रसखान अपने आराध्य श्रीकृष्ण का सान्निध्य प्राप्त करना चाहते हैं। वे कहते हैं कि वह मनुष्य बनकर ब्रज गोकुल के गाँवों में ग्वाल बनकर रहना चाहता हैं तथा पशु बनकर नंद के गायों के बीच चरना चाहता है। पत्थक बनकर वे उस पर्वत में रहना चाहता हैं जिसे श्रीकृष्ण ने छत्र के समान धारण किया था तथा पक्षी बनकर यमुना के किनारे कदम्ब की डाल पर बसना चाहता है।

*(অহা সংখ্যাত)*

# দশম শ্ৰেণী — ঐচ্ছিক গণিত

## বিশেষ জিজ্ঞাস প্ৰশ্নোত্তৰ

## পাঠ ঃ অখণ্ড সংখ্যাৰ পাটীগণিত (Arithmetic of Integers)

*যোৱা সংখ্যাৰ পিছৰ পৰা*

✍ মুকুট চৌধুৰী

### অনুশীলনী 3.2

9, (i) যিকোনো অখণ্ড সংখ্যা a ৰ বাবে দেখুওৱা যে গ.সা.উ. $(2a + 1, 9a + 4) = 1$

(ii) যিকোনো অযুগ্ম অখণ্ড সংখ্যাৰ ক্ষেত্ৰত দেখুওৱা যে গ.সা.উ. $(3a + 3, 3a + 2) = 1$

সমাধান ঃ (i) ধৰা হ'ল, গ.সা.উ. $(2a + 1, 9a + 4) = d$

তেতিয়া, $d|2a + 1$ আৰু $d|9a + 4$ $[\because a|b, a|c]$

$\Rightarrow d|9(2a + 1) - 2(9a + 4)$

$[\because x, y \in z$ ৰ বাবে $a|bx + cy$ ইয়াত $x = 9, y = -2$ বহুৱাই$]$

$\Rightarrow d|1$

$\Rightarrow$ গ.সা.উ. $(2a + 1, 9a + 4) = 1$ দেখুওৱা হ'ল।

(ii) ধৰা হ'ল, $(3a + 3, 3a + 2) = d$

তেতিয়া, $d|3a + 3$, আৰু $d|3a + 2$

$\Rightarrow d|3a + 3 + (3a + 2) \times (-1)$

$\Rightarrow d|1$

$\therefore$ গ.সা.উ. $(3a + 3, 3a + 2) = 1$ দেখুওৱা হ'ল।

10. ল.সা.গু (306, 657) আৰু ল.সা.গু. (111, 273) নিৰ্ণয় কৰা।

সমাধান ঃ 306 আৰু 657 ৰ গ.সা.উ. (306, 657) = 9

আমি জানো যে গ.সা.উ. × ল.সা.গু = সংখ্যা দুটাৰ পূৰণফল

$\Rightarrow$ ল.সা.গু. (306, 657) × গ.সা.উ. (306, 657) = $306 \times 657$

$\Rightarrow$ ল.সা.গু. (306, 657) = $\frac{306 \times 657}{9} = 306 \times 73 = 22338$

আকৌ গ.সা.উ. (111, 273) = 3

$\therefore$ ল.সা.গু. (111, 273) × গ.সা.উ. (111, 273) = $111 \times 273$

$\Rightarrow$ ল.সা.গু. (111, 273) = $\frac{111 \times 273}{3} = 37 \times 273 = 10101$

## পাঠ ঃ দ্বিঘাত সমীকৰণ (QUADRATIC EQUATION)

**সংজ্ঞা ঃ** কোনো বীজগণিতীয় ৰাশিৰ অজ্ঞাত প্ৰতীক বা চলকৰ উচ্চতম ঘাত দুই হ'লে ৰাশিটোক দ্বিঘাত ৰাশি বোলে। যেনে— $x^2 + 5x + 6$, বহুপদটো এটা দ্বিঘাত ৰাশি কাৰণ ইয়াৰ চলক x ৰ উচ্চতম ঘাত দুই। $ax^2 + bx + c$ দ্বিঘাত ৰাশিটোৰ চলক x[a, b, c তিনিটা বাস্তৱ সংখ্যা] আৰু $a \neq 0$। এই দ্বিঘাত ৰাশিটোক সাধাৰণ দ্বিঘাত ৰাশি বুলি কোৱা হয়। যদি a, b, c তিনিটা বাস্তৱ সংখ্যা আৰু $a \neq 0$ তেন্তে $ax^2 + bx + c = 0$ ক দ্বিঘাত সমীকৰণ বোলা হয়। দ্বিঘাত সমীকৰণ দুই প্ৰকাৰৰ— শুদ্ধ (pure) আৰু মিশ্ৰ (Adfected)

$ax^2 + bx + c = 0$ সমীকৰণত $b = 0$ হ'লে ইয়াক শুদ্ধ দ্বিঘাত সমীকৰণ আৰু $a \neq 0$ হ'লে মিশ্ৰ দ্বিঘাত সমীকৰণ বোলা হয়।

**দ্বিঘাত সমীকৰণৰ বীজ বা মূল ঃ** দ্বিঘাত সমীকৰণ এটাৰ সমাধান বুলিলে সমীকৰণটোৰ মূল দুটা নিৰ্ণয় কৰাকে বুজায়। অজ্ঞাত ৰাশি বা চলকৰ যি দুটা মানে দ্বিঘাত সমীকৰণ এটা সিদ্ধ কৰে, সেই মান দুটাকেই দ্বিঘাত সমীকৰণটোৰ মূল বা বীজ বুলি কোৱা হয়। উৎপাদক বিশ্লেষণ নাইবা পূৰ্ণবৰ্গীকৰণ পদ্ধতি প্ৰয়োগ কৰি $ax^2 + bx + c = 0$ সমীকৰণটো সমাধান কৰি আমি পাওঁ, $x = \frac{-b \pm \sqrt{b^2 - 4ac}}{2a}$ $(a \neq 0)$

ইয়াত $b^2 - 4ac$ ৰাশিটোৱে সমীকৰণৰ মূল দুটাৰ প্ৰকৃতি নিৰ্ণয় কৰে বাবে $b^2 - 4ac$ ক সমীকৰণটোৰ ভেদ নিৰূপক বা নিৰ্দেশক (Discriminant) বুলি কোৱা হয়। তলত মূলদ্বয়ৰ প্ৰকৃতি উল্লেখ কৰা হ'ল ঃ

(i) $b^2 - 4ac = 0$ হ'লে মূল দুটা বাস্তৱ আৰু সমান হ'ব।

(ii) $b^2 - 4ac > 0$ হ'লে মূল দুটা বাস্তৱ আৰু অসমান হ'ব।

(iii) $b^2 - 4ac > 0$ আৰু ই এটা পূৰ্ণবৰ্গ হ'লে মূল দুটা পৰিমেয় আৰু অসমান হ'ব।

*(অহা সংখ্যাত)*

# কেৰিয়াৰ প্লেনিং



## টিকেট এজেণ্ট (Ticket Agent)

✍ ড° বুলজিৎ বুঢ়াগোহাঁই



বৰ্তমান যুগত টিকেট এজেণ্ট (Ticket Agent) এটা উল্লেখযোগ্য কেৰিয়াৰ হ'ব পাৰে। টিকেট এজেণ্টসকলে বিমান বন্দৰ, বাছ ষ্টেচন, ট্ৰেইন ষ্টেচন, আদিৰ টিকেট বিভাগৰ লগত কাম কৰিব লাগে। টিকেট এজেণ্টৰ কাম হ'ল টিকেট বিক্ৰী কৰা আৰু যাত্ৰীসকলক যাত্ৰাৰ বাবে আৱশ্যক হোৱা সকলো তথ্য যোগান ধৰা। ইয়াৰ ভিতৰত ছিটৰ এৰেঞ্জমেণ্টৰ পৰা উৰাজাহাজ, ট্ৰেইন তথা বাছ যাত্ৰাৰ সময় সূচীলৈকে।

টিকেট এজেণ্টৰ কাম কৰিবলৈ যদিও কোনো নিৰ্দিষ্ট শিক্ষাগত অৰ্হতা নালাগে, কিন্তু কিছুমান গুণ থাকিব লাগিব। যেনে — যাত্ৰীসকলৰ লগত সুন্দৰ যোগাযোগ দক্ষতা, সকলো শ্ৰেণীৰ মানুহৰ লগত কাম কৰিব পৰা দক্ষতা। টিকেটিং বিষয়ত চাৰ্টিফিকেট, ডিপ্ল'মা বা স্নাতক পাঠ্যক্ৰম অধ্যয়ন কৰিলে এই কেৰিয়াৰত আগবাঢ়ি যোৱাত সহায়ক হয়।

টিকেটিং বিষয়ত শিক্ষাগ্ৰহণ কৰিব পৰা কেইখনমান শিক্ষানুষ্ঠান হ'ল — দিল্লী ইনষ্টিটিউট অব টুৰিজিম এণ্ড মেনেজমেণ্ট (www.delhitourism.gov.in), ইণ্ডিৰা গান্ধী ইনষ্টিটিউট অব এৰোনটিকছ (www.igiandia.in), ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুকলি বিশ্ববিদ্যালয় (www.ignou.ac.in), জিৱাজি বিশ্ববিদ্যালয় (www.jiwaji.edu) কেৰালা ইনষ্টিটিউট অব টুৰিজিম এণ্ড ট্ৰেভেল ষ্টাডিজ (www.kittsedu .org), পণ্ডিচেৰী বিশ্ববিদ্যালয় (www.pondiuni. edu.in) আদি।

বৌদ্ধিক যাত্ৰাৰ ৩১ বছৰ (১৯৯১-২০২১)

সাপ্তাহিক জিজ্ঞাস
শিক্ষাবিষয়ক জনপ্ৰিয় বাৰ্তালোচনী

## নিয়মীয়া গ্ৰাহক পঞ্জীয়নৰ বাবে আবেদন

প্ৰতি বৃহস্পতিবাৰে প্ৰকাশ পোৱা 'সাপ্তাহিক জিজ্ঞাস' আপোনজনক উপহাৰ দিয়ক বা নিজে ইয়াৰ নিয়মীয়া গ্ৰাহক হওঁক।
বিদ্যালয় প্ৰধানসকলেও নিজৰ বিদ্যালয়ৰ পুথিভঁৰালৰ বাবে নিয়মীয়াকৈ সাপ্তাহিক জিজ্ঞাস সংগ্ৰহ কৰক।

| ছয়মহীয়া | | | বছেৰেকীয়া | | |
|---|---|---|---|---|---|
| প্ৰকৃত মূল্য | দিবলগীয়া মূল্য | ৰেহাই | প্ৰকৃত মূল্য | দিবলগীয়া মূল্য | ৰেহাই |
| ২৬০ টকা | ২৩৬ টকা | ২৪ টকা | ৫২০ টকা | ৪৫৮ টকা | ৬২ টকা |

| দুবছৰীয়া | | |
|---|---|---|
| প্ৰকৃত মূল্য | দিবলগীয়া মূল্য | ৰেহাই |
| ১০৪০ টকা | ৯১৬ টকা | ১২৪ টকা |

**Bank Details**
Industrial Co-operative Bank Ltd. Guwahati-1,
Branch : Lakhtokia
A/C No. - 02021004464
I.F.S. Code : IBKL00115ICB
MICR No. - 781114002
PAN No. ALQPK8622B

**Cheque/Demad draft/Cash**

গ্ৰাহকসকলে নিজৰ পছন্দ অনুসৰি (ছমহীয়া/বছৰেকীয়া/দুবছৰীয়া) নিয়মীয়া গ্ৰাহক হ'বৰ বাবে এই প্ৰ-পত্ৰ পূৰাই ডাকযোগে, ই-মেইলযোগে বা হোৱাট্‌চ এপ্‌যোগে তলৰ ঠিকনাত পঠিয়াব পাৰে।

গ্ৰাহকৰ নাম ঃ ..........
অভিভাৱকৰ নাম ঃ ..........
ঠিকনা ঃ গাঁও/নগৰ..........চুবুৰী/ৱাৰ্ড নং..........
ডাকঘৰঃ.......... পিন ঃ ..........ফোন নং ঃ ..........
জিলা ঃ.......... ই-মেইল ঃ ..........

**জিজ্ঞাস শৈক্ষিক ন্যাস, গুৱাহাটী, অসম**
ইণ্ডাষ্ট্ৰিয়েল এৰিয়া, (উদ্যোগ পাম) বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১
ই-ঠিকনা ঃ jigyaspublication@gmail.com, Whatsapp No : +91-6913407317
ফোন - ৮৮৭৬৮-২৯৭৩১, ৮৬৩৮৭-৮৬১৪৯, ৯৯৫৪০-৮১২৫৩,




**ঈদ মুছলমানসকলৰ পবিত্ৰ উৎসৱ। ই আৰবী ভাষাৰ শব্দ। ইয়াৰ অৰ্থ হ'ল খুচি বা আনন্দ**


✍ জাহাংগীৰ আহমেদ

**ঈ**দ মুছলমানসকলৰ পবিত্ৰ উৎসৱ। ই আৰবী ভাষাৰ শব্দ। ইয়াৰ অৰ্থ হ'ল খুচি বা আনন্দ। এই পৰ্বটো প্ৰকৃততে দান আৰু মিলনৰ পৰ্ব। দুখীয়াসকলক দান-দক্ষিণা কৰি সকলোৱে পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ এক ভাতৃত্বভাব বিৰাজিত কৰি একলগে ঈশ্বৰ বা আল্লাক প্ৰাৰ্থনা কৰে। ই এক পবিত্ৰ মিলন আৰু আনন্দৰ পৰ্ব।

ঈদ-উল-ফিতৰৰ নিচিনা ঈদ-উজ-জহাও বিশ্বৰ মুছলমানধৰ্মী লোকসকলৰ এটা মহান উৎসৱ। বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা যোৱা হজযাত্ৰীসকলে গৈ আৰবৰ 'আৰফা' নামৰ মুকলি পথাৰত সমবেত হৈ নামাজ পঢ়ে। সকলোৱে কোলা-কুলি কৰি ভাতৃত্বভাৱত উদ্বুদ্ধ হয়। বিশ্বৰ আন আন মছজিদৰ প্ৰাংগণতো এই পবিত্ৰ নামাজ পৰ্ব পালন কৰা হয়।

এই উৎসৱ 'হিলহজ' মাহৰ দহ তাৰিখে পালন কৰা হয়। হিলহজ আৰবী বছৰৰ শেষৰ চান্দ্ৰমাহ। হজৰত মহম্মদৰ উপৰি পুৰুষ হজৰত ইব্ৰাহিম খলিল উল্লাহে আল্লাৰ ওচৰত নিজ পুত্ৰক 'কোৰবানি' কৰিবলৈ ওলোৱা ঘটনাৰ স্মৃতিস্বৰূপে এই উৎসৱ উদ্‌যাপন কৰা হয়। এদিন সাপোনত পোৱা আল্লাৰ আদেশ মতে ভক্ত ইব্ৰাহিমে পুতেক ইছমাইলৰ গলত ছুৰিকাঘাত কৰি কোৰবানি কৰিবলৈ উদ্যত হয়। ঠিক তেনে সময়তে আল্লাৰ বাণী শুনিবলৈ পায় যে— ইব্ৰাহিম তুমি ধন্য। তুমি মোৰ এই পৰীক্ষাত উত্তীৰ্ণ হ'লা। তোমাৰ ভক্তিত মই সন্তোষ পাইছো। তুমি ইছমাইলৰ পৰিৱৰ্তে ডুম্বা বা মেৰ ছাগলী কোৰবানি কৰা।"।

বিশ্বৰ মুছলমানসকলে সংসাৰৰ মায়া-মোহ আদিৰ পৰা নিজক মুক্ত কৰিবলৈ এই উৎসৱৰ দিনা আজিও আল্লাৰ নামত উট-ডুম্বা আদি কোৰবানি কৰি ইব্ৰাহিমৰ এই ত্যাগৰ কাহিনী সোঁৱৰণ কৰে। আল্লাৰ ওচৰত কৃপা লাভ কৰিবলৈ নিজৰ পুত্ৰৰ মায়াকো ত্যাগ কৰিব লাগে। এয়েই হ'ল এই উৎসৱৰ তাৎপৰ্য। ❑



■ মুখ্য উপদেষ্টা ঃ ড° কুলেন্দু পাঠক ■ উপদেষ্টা ঃ ড° জয়ন্ত কুমাৰ শৰ্মা (অৱৈঃ) ■ মুখ্য সম্পাদক ঃ ড° বীৰেন দাস (অৱৈঃ) ■ সম্পাদক ঃ ড° হুপেশ চৌধুৰী ■ কাৰ্যবাহী সম্পাদকদ্বয় ঃ প্ৰফুল্ল বৰ্মন, ড° তাৰিণী কান্ত হ্বলৈ (অৱৈঃ)
■ সহ সম্পাদক ঃ প্ৰাঞ্জল প্ৰতিম গগৈ, ৰাজীৱ ভট্টাচাৰ্য ■ সহযোগী সম্পাদক ঃ ধ্ৰুৱজ্যোতি কলিতা (অৱৈঃ), সুকুমাৰ তালুকদাৰ (অৱৈঃ) ■ অলংকৰণ ঃ লবজিৎ বড়া ■ ব্যৱস্থাপনা ঃ অনিল শৰ্মা, কৈলাশ দাস, সুশান্ত প'ল, সুৱন্ত মালাকৰ
■ প্ৰকাশক, মুদ্ৰক আৰু স্বত্বাধিকাৰী ঃ সনাতন চন্দ্ৰ কলিতা, ফোন ঃ ৮৬৩৮৭৮৬১৪৯, ৮৮৭৬৮২৯৭৩১ ■ ই-মেইল ঃ jigyaspublication@gmail.com
■ **Printer/Publisher/Owner:** Sanatan Chandra Kalita, Published and Printed at Jigyas Printers & Publishers, Industrial Area, Bamunimaidam, Guwahati-781021



মফিজউদ্দিন আহমদ হাজৰিকা— জ্ঞানমালিনীৰ কবি।